*সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...*

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*


# ৰঙিলী বাৰ্ত্তা

**Govt. of Assam Approved** **Postal Redg. No. GH- 098/2012-17**

৩২ বছৰ,২৫ সংখ্যা, ৬ আহাৰ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 25 Date of Publication- 21 June 2026 Rs. 10.00/-

## নগাঁৱত মৰণোত্তৰ পৰীক্ষাৰ নামত উৎকোচ লৈ আৰক্ষীৰ জালত জ্যেষ্ঠ চিকিৎসক



ৰঙিলী বাৰ্তাসেৱা- মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন দিয়াৰ নামত উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল এগৰাকী জ্যেষ্ঠ চিকিৎসক। ধনৰ বিনিময়ত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন দিয়া সন্দৰ্ভত নগাঁও জিলা প্ৰশাসন আৰু আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছিল। এই অনুসন্ধানৰ ভিত্তিত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ নামত উৎকোচ লৈ নগাঁও আৰক্ষীৰ জালত পৰে নগাঁও মেডিকেল কলেজ হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মনোজ কুমাৰ সিন্‌হা। তেওঁ নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ফৰেনছিক বিভাগৰ মুৰব্বী অধ্যাপক। নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ নিৰ্দেশত অভিযুক্ত চিকিৎসক ডাঃ সিন্‌হাক নগাঁও আৰক্ষীয়ে জাগীৰোডৰ পৰা গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ডাঃ মনোজ কুমাৰ সিন্‌হাই নগাঁও মেডিকেল কলেজ হাস্পতালত মৃতকৰ পোষ্টম'টেমৰ নামত এখন বজাৰ বহুৱাই অবাধে ধন সংগ্ৰহ কৰি আহিছিল। ইঞ্চুৰেঞ্চ কোম্পানীৰ পৰা ধন পাব পৰাকৈ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন যুগুত কৰাৰ বাবদ তেওঁ মৃতকৰ আত্মীয়ৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছিল। আনকি এক দুৰ্ঘটনাত একমাত্ৰ পুত্ৰক হেৰুওৱা এজন দুৰ্ভগীয়া পিতৃৰ পৰাও পোষ্টম'ৰ্টেম ৰিপ'ৰ্টৰ বাবদ চিকিৎসকজনে ধন দাবী কৰিছিল। মৰণোত্তৰ প্ৰতিবেদনৰ নামত নগাঁও মেডিকেল কলেজ হাস্পতালত জ্যেষ্ঠ চিকিৎসক, অধ্যাপক ডাঃ মনোজ কুমাৰ সিন্‌হাই বহুওৱা উৎকোচৰ বজাৰখনৰ বিষয়ে বিভিন্ন সময়ত ভুক্তভোগী ৰাইজে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাক অভিযোগ দি আহিছিল। কিন্তু জ্যেষ্ঠ চিকিৎসক তথা অধ্যাপক ডাঃ সিন্‌হাৰ বিৰুদ্ধে কোনো তথ্য-প্ৰমাণ নথকাত তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাছিল। অৱশেষত ঘোচখোৰ চিকিৎসক ডাঃ সিন্‌হাই ভুক্তভোগীৰ পৰা মৰণোত্তৰ প্ৰতিবেদনৰ নামত ধন সংগ্ৰহ কৰা দুষ্কাৰ্যৰ ( তিনিপৃষ্ঠাত চাওক)

## কলাক্ষেত্ৰত বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত বিষ্ণু ৰাভা দিৱস উদযাপন আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই অনুষ্ঠানত চলিত বৰ্ষৰ ৰাজ্যিক পৰ্যায়ৰ বিষ্ণু ৰাভা বঁটা প্ৰদান কৰা হয় সত্ৰীয়া সংস্কৃতিৰ সাধক মাণিক বৰবায়ন আৰু বিশিষ্ট চিত্ৰশিল্পী মধুসুদন দাসক। একেটা অনুষ্ঠানতে চলিত বৰ্ষৰ ৰাজ্যিক পৰ্যায়ৰ সতী সাধনী বঁটা বিশিষ্ট সাহিত্যিক গীতা উপাধ্যায়ক প্ৰদান কৰাৰ লগতে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ ( দুই পৃষ্ঠাত চাওক)

## ইৰানে পুনৰ বন্ধ কৰি দিলে হৰমুজ প্ৰণালী



ৰঙিলী বাৰ্তাসেৱা- আমেৰিকাই যুদ্ধবিৰতি চুক্তিৰ 'চৰম উলংঘন' কৰা আৰু লেবাননত ইজৰাইলৰ ধাৰাবাহিক আক্ৰমণৰ দোহাই দি ইৰানৰ শীৰ্ষ সামৰিক কমাণ্ডে হৰমুজ প্ৰণালী পুনৰ বন্ধ কৰি দিয়া হ'ব বুলি ঘোষণা কৰিছে। শেহতীয়াকৈ স্বাক্ষৰিত হোৱা যুদ্ধবিৰতি চুক্তিৰ অধীনত প্ৰদান কৰা প্ৰতিশ্ৰুতি মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে ভংগ (দহ পৃষ্ঠাত চাওক)

## অসমক শান্তিপূৰ্ণ ৰাজ্য হিচাপে গণ্য ইউৰোপীয়ান ইউনিয়নৰ



ৰঙিলী বাৰ্তাসেৱা- অসমবাসীৰ বাবে এক সুখবৰ। ইউৰোপীয় ইউনিয়নে অসমৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰিলে। এতিয়াৰে পৰাই ইউৰোপৰ ২৭খন দেশৰ পৰ্যটক অসমলৈ অহাত কোনো বাধা নাথাকিব। অসমক এখন শান্তিপূৰ্ণ ৰাজ্য হিচাপে গণ্য কৰি ইউৰোপীয় ইউনিয়নে গ্ৰহণ কৰা এই সিদ্ধান্তৰ কথা সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পূৰ্বে জাপান আৰু অষ্ট্ৰেলিয়াই প্ৰত্যাহাৰ কৰিছিল প্ৰতিবন্ধকতা । ফেচবুক লাইভযোগে ৰাজ্যবাসীক এই সুখবৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, এটা ভাল খবৰ আমাৰ ৰাজ্যখনলৈ আহিছে। ইউৰোপীয়ান ইউনিয়নৰ এম্বেচাদৰ হাৰ্ভে ডেলফিন কিছুদিন পূৰ্বে গুৱাহাটীলৈ আহিছিল আৰু আজি তেওঁ অসম চৰকাৰৰ মুখ্য সচিবক এটা বাৰ্তা প্ৰেৰণ কৰিছে। ইমান দিনে ইউৰোপীয়ান ইউনিয়নে তেওঁলোকৰ দেশৰ পৰ্যটকসকলক অসমলৈ আহিবৰ বাবে বাধা প্ৰদান কৰিছিল। তেওঁ লগতে কয়, অসম এখন অশান্ত জৰ্জৰিত ৰাজ্য আৰু তাতে পৰ্যটকসকল নোযোৱা ভাল আৰু গ'লেও যথেষ্ট সতৰ্ক হৈ থকাৰ প্ৰয়োজন। আজি পুৱা আমাৰ মুখ্য সচিবক ইউৰোপীয়ান ইউনিয়নৰ ভাৰতত থকা এম্বেচাদৰে জনাই যে অসমৰ পৰিৱেশ আৰু পৰিস্থিতি পৰ্যালোচনা কৰাৰ পিছত তেওঁলোকে অসম ভ্ৰমণৰ ক্ষেত্ৰত তেওঁলোকৰ নাগৰিকসকলকৰ থকা প্ৰতিবন্ধকতা কালিৰ পৰা আনুষ্ঠানিকভাৱে প্ৰত্যাহাৰ কৰিছে। ইউৰোপীয়ান ইউনিয়ন বুলি ক'লে বিশ্বৰ ২৭খন দেশৰ এটা গোটক বুজি পাওঁ। তেওঁ কয়, এতিয়াৰ পৰা এই ২৭খন দেশৰ নাগৰিকে অসম ভ্ৰমণৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা আঁতৰিল । অৱশ্যে অশান্ত অঞ্চল আইন এতিয়াও প্ৰযোজ্য হৈ থকা চৰাইদেউ, ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ ক্ষেত্ৰত তেওঁলোকে প্ৰতিবন্ধকতা আঁতৰ কৰা নাই । কাৰণ তাত সমাৰিক বাহিনীৰ বিশেষ ক্ষমতা আইন এতিয়াও আছে। এডভান্টেজ আছামৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, এডভান্টেজ আছাম-চ.স্তৰ সময়ত বিভিন্ন ৰাষ্ট্ৰৰ দূতাবাসসমূহৰ সৈতে যোগাযোগ কৰি অৱগত কৰা হৈছিল যে অসম এতিয়া যথেষ্ট শান্ত, ৰাজ্যখনৰ পৰিৱেশ যথেষ্ট ভাল, গতিকে আপোনালোকৰ পৰ্যটকসকলক এতিয়া আমাৰ ৰাজ্যলৈ আহিবলৈ ( দুই পৃষ্ঠাত চাওক)

# কলাক্ষেত্ৰত বঁটা প্ৰদান অনুষ্ঠানত

বঁটা জিকিৰ-জাৰীৰ বিশিষ্ট শিল্পী মহম্মদ ছামচুদ্দিন আহমেদলৈ আগবঢ়োৱা হয়। ৰাজ্যিক পৰ্যায়ৰ বিষ্ণু ৰাভা বঁটাত দুয়োগৰাকী শিল্পীকে অংগবস্ত্ৰ, প্ৰশস্তি-পত্ৰ আৰু নগদ ২ লাখ টকাৰ চেক প্ৰদান কৰাৰ লগতে সতী সাধনী বঁটা আৰু ২০২৫ বৰ্ষৰ আজানপীৰ বঁটাপ্ৰাপকদ্বয়লৈ অংগবস্ত্ৰ, প্ৰশস্তি-পত্ৰ আৰু নগদ ৩ লাখ টকাৰ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বঁটাসমূহ প্ৰাপকসকলক আগবঢ়ায়। বঁটাপ্ৰাপকসকললৈ শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে কলা-সংস্কৃতি, সাহিত্য আৰু লোক-পৰম্পৰাৰ পথাৰখনত নিৰলস সাধনাৰে অসমী আইৰ মুখ উজলোৱা স্বনামধন্য ব্যক্তিসকলক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন বঁটাৰে সন্মানিত কৰাৰ যি পৰম্পৰা ৰক্ষা কৰি আহিছে, সেয়া দৰাচলতে বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শৰে গুণীৰ মূল্যায়ন কৰাৰ এক বিনম্ৰ প্ৰয়াস। বঁটাপ্ৰাপকসকলৰ সাধনাই ৰাজ্যৰ নৱপ্ৰজন্মক সদায়ে দেশপ্ৰেম, সমাজসেৱা আৰু সৃষ্টিশীলতাৰ বাবে অনুপ্ৰাণিত কৰিব। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বৰলুইতৰ দৰে বিশাল, মহাকাশৰ দৰে ব্যাপ্ত আৰু সাগৰৰ দৰে গভীৰ প্ৰতিভাৰ গৰাকী অসমৰ জাতীয় জীৱনৰ চিৰজ্যোতিষ্মান নক্ষত্ৰ, গণশিল্পী বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া জাতীয় জীৱনৰ স্বাভিমান আৰু মৰ্যাদাৰ প্ৰতীক। তেওঁৰ সৃষ্টিৰাজিয়ে যুগে যুগে ৰাজ্যক অন্ধকাৰ ফালি পোহৰৰ পথ দেখুৱাই আহিছে। মাটি আৰু মানুহৰ আত্মিক সম্পৰ্ক শিল্পৰ সৰ্বোচ্চ স্তৰলৈ নিয়া অমৰ নায়ক বিষ্ণুপ্ৰসাদ ৰাভাই শৈশৱৰ ঢাকা চহৰৰ পৰা আৰম্ভ কৰি তেজপুৰৰ ঐতিহাসিক বাণ ৰংগমঞ্চ, কলকাতাৰ উত্তাল ছাত্ৰ আন্দোলন, কোচবিহাৰৰ বৈপ্লৱিক কাৰ্যসূচী আৰু অসম বিধানসভাৰ মজিয়ালৈকে আগবঢ়োৱা প্ৰতিটো খোজ আছিল সংগ্ৰাম আৰু সৃষ্টিৰ অনন্য সংমিশ্ৰণ। ছাত্ৰ অৱস্থাতে কোচবিহাৰৰ ৰাজভৱনৰ দুৱাৰমুখত সাম্ৰাজ্যবাদী ব্ৰিটিছ শক্তিৰ চকুৰে চকুৰে চাই প্ৰত্যাহ্বান জনাই লিখা বাংলা 'ছড়াছন্দ'ৰ পৰা আৰম্ভ কৰি কঁকালত পঘাৰে বান্ধি কাৰাগাৰৰ অন্ধকাৰ কোঠালৈ যাওঁতে ওঁঠত বিৰিঙি থকা চিৰপ্ৰশান্ত হাঁহিটোলৈকে বিষ্ণুপ্ৰসাদ ৰাভা আছিল সমাজৰ সকলো জড়তা ভাঙি পেলোৱা এক জীৱন্ত ধুমুহা। সৈনিক শিল্পীগৰাকীৰ যাযাবৰী জীৱনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চুকে-কোণে, পাহাৰ-ভৈয়ামৰ বিভিন্ন জনজাতি আৰু জনগোষ্ঠীৰ মাজত বিচৰণ কৰা বিষ্ণুপ্ৰসাদ ৰাভাই যি সমাজলৈকে গৈছিল, তাত কৃষ্টি, ভাষা আৰু গীত-মাত আপোন কৰি লৈ তেওঁলোকক জাতীয় ইতিহাসৰ প্ৰতি সজাগ কৰিছিল। অসমীয়া জাতিৰ অন্তৰ্গত প্ৰতিটো জনগোষ্ঠীৰ ঐতিহ্য আৰু পৰম্পৰাৰ ক্ষেত্ৰভিত্তিক অভিজ্ঞতাৰ দ্বাৰা অধ্যয়ন কৰি সেয়া নিজস্ব সৃষ্টিৰ জৰিয়তে প্ৰকাশ কৰা বিষ্ণু ৰাভাৰ গীত, কবিতা, নাটক, প্ৰবন্ধ, চিত্ৰকলা, ভাস্কৰ্য, চলচ্চিত্ৰ, মঞ্চ নাটৰ অভিনয় সকলোতে কলাগুৰুৰ গৱেষণামূলক দৃষ্টিভংগীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। এই তথ্যসমৃদ্ধ গৱেষণামূলক প্ৰবন্ধসমূহে সদায় নতুন চিন্তাৰ বাট মুকলি কৰি আহিছে। অসমীয়া জাতীয় জীৱনৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতি থকা কলাগুৰুৰ আধ্যাত্মিক সম্পৰ্কই বহু সময়ত তেওঁক অনুপ্ৰাণিত কৰি তুলিছিল। সেইবাবে মহাপুৰুষজনা আছিল কলাগুৰুৰ আধ্যাত্মিক আৰু সামাজিক জীৱনৰ সৰ্বোচ্চ আদৰ্শ। এই আনুগত্যৰ বাবে অসমত সত্ৰসমূহ ভ্ৰমণ কৰি শংকৰী কৃষ্টি-সংস্কৃতিৰ মৌচাক বুটলি ফুৰিছিল কলাগুৰুই। সৈনিক শিল্পীগৰাকীৰ তুলিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰাণ পাই উঠাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ছবিখনৰ সাফল্যৰ মূলতে আছিল কলাগুৰুৰ অসমৰ প্ৰতিটো প্ৰান্তত থকা কৃষ্টি-সংস্কৃতিৰ মৌ-কোঁহ সংগ্ৰহৰ অভিজ্ঞতা আৰু গুৰুজনাৰ বিশাল ব্যক্তিত্ব, বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা গভীৰ আস্থা। গুৰুজনাই যিদৰে ধৰ্ম-জাতি আৰু ভেদাভেদৰ ওখ প্ৰাচীৰ ভেদ কৰি মানৱীয় মুক্তি আৰু শান্তিৰ পথ মুকলি কৰিছিল, ঠিক তেনেকৈ সৈনিক শিল্পী বিষ্ণু ৰাভাই হাড়ে-হিমজুৱে উপলব্ধি কৰিছিল যে সাধাৰণ জনতাহে হৈছে অফুৰন্ত কৃষ্টিৰ আচল ভঁৰাল। জীৱিত কালত কেতিয়াও উচ্চ পৰ্যায়ৰ অভিজাত শিল্পী বুলি অহংকাৰ নকৰা বিষ্ণু ৰাভাই নিজকে 'ৰাইজৰ শিল্পী' বুলিহে গণ্য কৰিছিল। কলাগুৰুৱে সপোন দেখিছিল এখন অনীল-অপাৰ সমন্বয়ৰ 'বৰ অসম'ৰ, য'ত পাহাৰ আৰু ভৈয়ামৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমমৰ্যাদা, সমঅধিকাৰ আৰু সমবিকাশ সুনিশ্চিত হয়। অসমৰ সাংস্কৃতিক আৰু বৌদ্ধিক ইতিহাসত জ্যোতি-বিষ্ণুৰ সংযোগক শংকৰ-মাধৱৰ মণিকাঞ্চন সংযোগৰ দৰে এক যুগান্তকাৰী আৰু অলৌকিক পৰিঘটনা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আধুনিক, বিশ্বজনীন দৃষ্টিভংগী আৰু বিষ্ণু ৰাভাৰ মাটিৰ গোন্ধ থকা, তেজ-মঙহৰ লোক-সাংস্কৃতিক চেতনা লগ হৈ অসমীয়া সংস্কৃতিলৈ এক অপূৰ্ব বৈপ্লৱিক জোৱাৰ আহিছিল। তেওঁলোকে মিলি সৃষ্টি কৰা প্ৰথম অসমীয়া অৰ্কেষ্ট্ৰা আছিল ৰাজ্যৰ থলুৱা বাঁহী, গগনা, সুতুলি আৰু খামৰ এক অভূতপূৰ্ব যুগলবন্দী। ১৯৬৭ চনত তেজপুৰ সমষ্টিৰ পৰা নিৰ্দলীয়ভাৱে অসম বিধানসভালৈ নিৰ্বাচিত হোৱা কলাগুৰুৰ স্মৃতি উল্লেখ কৰি তেওঁ কয় যে বিষ্ণুপ্ৰসাদ ৰাভা আছিল কৃষক, বনুৱা আৰু সমাজৰ আটাইতকৈ নিষ্পেষিত জনসাধাৰণৰ প্ৰকৃত ত্ৰাণকৰ্তা আৰু কণ্ঠস্বৰ। ভূমিহীন দৰিদ্ৰ খেতিয়কৰ বাবে ভূমিৰ অধিকাৰ বিচাৰি তেওঁ জনোৱা প্ৰতিবাদ আজিৰ এই একবিংশ শতিকাতো সমানেই প্ৰসংগিক। যেতিয়ালৈকে সমাজৰ আটাইতকৈ পিছপৰা নিঃস্ব শ্ৰেণীটোৱে মৰ্যাদাসহকাৰে পেটৰ ভাত আৰু জীয়াই থকাৰ মৌলিক অধিকাৰ নাপায়, তেতিয়ালৈকে স্বাধীনতা কেৱল এটা অৰ্থহীন শব্দ হৈয়েই ৰৈ যাব বুলি কলাগুৰুৱে দৃঢ়ভাৱে বিশ্বাস কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। কলাগুৰুৰ বিপ্লৱ আছিল মানুহক মানুহ হিচাপে প্ৰতিষ্ঠা কৰাৰ এক পৱিত্ৰ যজ্ঞ। বিশিষ্ট লেখক, গৱেষক ড° অনিল শইকীয়াই নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, সাংসদ দিলীপ শইকীয়া আৰু বিজুলী কলিতা মেধি, বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তীকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া তথা বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভাৰ ৰাভা দিৱস পালন



ৰঙিলী বাৰ্তা'সেৱা- ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভাই ডিব্ৰুগড়ৰ বঙাল গাঁৱৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগনত তথা লাহোৱাল শিক্ষা খণ্ডৰ বিদ্যালয়ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা মৃত্যু দিৱস ৰাভা দিৱস হিচাপে পালন কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাৰ আৰম্ভণিতে ৰাভাৰ প্ৰতিচ্ছবিত বন্তি বিভিন্ন জনে বন্তি প্ৰজ্ব লন কৰাৰ লগতে তেখেতৰ ৰচিত গীত পৰিৱেশন কৰা হয়। সভাত অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি লাভ কৰা তথা শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতিৰ কোষাধ্যক্ষ (দহ পৃষ্ঠাত চাওক)

# অসমক শান্তিপূৰ্ণ ৰাজ্য

অনুমতি দিব পাৰে। সেই সময়তে অসমৰ অনুৰোধ ৰক্ষা কৰি অষ্ট্ৰেলিয়া আৰু জাপানে অসম ভ্ৰমণত তেওঁলোকৰ নাগৰিকৰ ওপৰত থকা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰিছিল। কিন্তু ইউৰোপিয়ান ইউনিয়নে এই প্ৰতিবন্ধকতা প্ৰত্যাহাৰ নকৰাৰ বাবে সমগ্ৰ ইউৰোপৰ পৰ্যটকসকল অসমলৈ আহিব পৰা নাছিল। বহু প্ৰচেষ্টাৰ মূৰত অসমে আৰু এটা সফলতা লাভ কৰিলে। এতিয়া ইউৰোপিয়ান ইউনিয়নৰ অন্তৰ্গত ২৭খন ৰাষ্ট্ৰৰ নাগৰিকসকলে অসমলৈ পৰ্যটনৰ বাবে আহিব পাৰিব। ৰাজ্যখনৰ প্ৰাকৃতিক প্ৰাচুৰ্য উপভোগ কৰাৰ লগতে এই পৰ্যটকসকলে কাজিৰঙা, মানস, শিৱসাগৰ, যোৰহাট, কোকৰাঝাৰ, বৰাক উপত্যকাত সকলোতে তেওঁলোকে যাব পাৰিব। আমাৰ বাবে ই এক আনন্দৰ দিন। কাৰণ বিদেশী ৰাষ্ট্ৰই যেতিয়া এখন ৰাজ্যক অশান্তজৰ্জৰ বুলি কয়, সেই ৰাজ্যখনত বিনিয়োগ, পৰ্যটন সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ক'ব নোৱাৰাকৈ ৰাজ্যখনে আৰ্থিক লোকচানৰ সন্মুখীন হয়। ইউৰোপিয়ান ইউনিয়নে এই প্ৰতিবন্ধকতা দূৰ কৰাৰ লগে লগে আনুষ্ঠানিকভাৱে আমি এখন প্ৰমাণ-পত্ৰ লাভ কৰিলোঁ। ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে অসম এতিয়া অশান্তজৰ্জৰ ৰাজ্য নহয় আৰু বিদেশী ৰাষ্ট্ৰৰ নাগৰিকসকল অসমলৈ আহিব পাৰে, থাকিব পাৰে। এই সিদ্ধান্তটোৰ ফলত আমি যথেষ্ট লাভৱান্বিত হ'ম। ফেচবুক লাইভৰ মূল উদ্দেশ্য এয়াই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- এই সিদ্ধান্তৰ ফলত অসমলৈ পৰ্যটনৰ সোঁত ব'ব। পৰ্যটনৰ এনে সোঁতৰ বাবেই ৰাজ্যত বিদেশী পৰ্যটক বা দেশীয় পৰ্যটকক থাকিবলৈ বা আতিথ্য দিবলৈ বহু ব্যৱস্থা আমি গ্ৰহণ কৰিব লাগিব। যদিও অসমত কেইবাখনো পঞ্চতাৰকাযুক্ত হোটেল আছে, ইউৰোপিয়ান পৰ্যটকসকলে পঞ্চতাৰকা হোটেলত থাকিব নিবিচাৰে। তেওঁলোকৰ জীৱনশৈলী আৰম্ভণিৰে পৰা পঞ্চতাৰকা হোটেলৰ সুবিধাৰ লগত সংপৃক্ত হৈ থকাৰ বাবেই হোটেলৰ পৰিৱৰ্তে প্ৰাকৃতিক পৰিৱেশত পৰ্যটকসকলে থাকিবলৈ বেছি ইচ্ছা প্ৰকাশ কৰে। সেয়েহে আমাৰ সময় হৈছে বিদেশী ৰাষ্ট্ৰসমূহে আমাৰ ওপৰত থকা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰাৰ পাছত হোমষ্টেৰ পৰিকল্পনা কৰা, সময় হৈছে আমি প্ৰকৃতিৰ লগত জড়িত গ্ৰাম্য জীৱনৰ জুপুৰিৰ দৰে থকাৰ ব্যৱস্থা কৰা, প্ৰকৃতিৰ লগত জড়িত কেম্প প্ৰস্তুত কৰা আৰু ৰাজ্যখনৰ জাতি-জনগোষ্ঠীৰ বিভিন্ন খাদ্যসম্ভাৰসমূহ বিদেশী পৰ্যটকসকলৰ বাবে উলিয়াই দিয়া। এই সুবিধাসমূহ তথা অসমৰ খাদ্যসম্ভাৰসমূহৰ বিষয়ে বিদেশী পৰ্যটকসকলে তেতিয়াহে গম পাব, যেতিয়া সামাজিক মাধ্যমযোগে আমি আমাৰ অঞ্চলৰ বিষয়ে প্ৰকাশ কৰিম। মুখ্যমন্ত্ৰীয়ে কয়-ইয়াৰ বাবে পৰ্যটন বিভাগক নিৰ্দেশ দিয়া হ'ব যাতে খুব সকলো হোমষ্টে পঞ্জীয়নভুক্ত হয় আৰু এটা ৱেবছাইটৰ জৰিয়তে সমগ্ৰ ৰাজ্যৰ হোমষ্টেসমূহ যাতে বুকিং কৰিব পৰা যায়। বিদেশী পৰ্যটকে যাতে ছিংগল উইণ্ডৰ জৰিয়তে অসমৰ যিকোনো পৰ্যটনস্থলীৰ বিষয়ে তথ্য লাভকৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে ইউৰোপিয়ান - ইউনিয়নৰ দৃষ্টিত অসম শান্ত ৰাজ্য হোৱাৰ পিছত এইবাৰ আমেৰিকা-কানাডাৰ সৈতে কথা পাতিব অসম চৰকাৰে। আমেৰিকা-কানাডাই জাৰি কৰা প্ৰতিবন্ধকতা প্ৰত্যাহাৰৰ বাবে আলোচনা চলি আছে। তদুপৰি গ্ৰেট ব্ৰিটেইনৰ সৈতেও প্ৰতিবন্ধকতা আঁতৰোৱাৰ বাবে আলোচনা চলি থাকিব।

# শ্বিলঙত বিত্তমন্ত্ৰী সীতাৰমণৰ অধ্যক্ষতাত অনুষ্ঠিত আলোচনা-চক্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে শ্বিলঙত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত অনুষ্ঠিত 'উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বিকাশ আৰু উন্নয়নৰ বাবে বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প (ইএপি) ব্যৱহাৰ' শীৰ্ষক এক আলোচনা চক্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু শীৰ্ষ বিষয়া সকল উপস্থিত থকা এই আলোচনা চক্ৰখনত ভাৰত চৰকাৰৰ জৰিয়তে গোলকীয় উন্নয়ন সংস্থাসমূহৰ সহযোগিতাত ৰূপায়ণ কৰা বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত আৰ্থ-সামাজিক বিকাশ আৰু উন্নয়ন ত্বৰান্বিত কৰাত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোচনা কৰা হয় । অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত অভূতপূৰ্ব বিকাশ আৰু ৰূপান্তৰ সাধন হৈছে । স্বাস্থ্যসেৱা, শিক্ষা, জীৱিকা, আন্তঃগাঁথনি উন্নয়ন, পৰিৱেশ সংৰক্ষণ আৰু দক্ষতা বিকাশ আদি ক্ষেত্ৰত থকা উন্নয়নমূলক প্ৰত্যাহ্বানসমূহ সমাধানৰ ক্ষেত্ৰত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে সুনিৰ্দিষ্ট লক্ষ্য আৰু সু-সংগঠিত পদ্ধতিৰে এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে । অসমে বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ সফল ৰূপায়ণৰ জৰিয়তে উদ্ভাৱনক উৎসাহিত কৰাৰ লগতে জনসাধাৰণলৈ উল্লেখনীয় সুফল আগবঢ়াবলৈ সক্ষম হৈছে। এই বৈঠকতে ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই দ্ৰুতগতিত আগবাঢ়ি যোৱা ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ কথা সদৰী কৰি মাত্ৰ ৩.৫ বছৰৰ ভিতৰত নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প সফলতাৰে সম্পূৰ্ণ কৰাৰ কথা উল্লেখ কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কুমাৰ ভাস্কৰ বৰ্মা সেতু আৰু নিৰ্মীয়মাণ ধুবুৰী-ফুলবাৰী সেতুৰ দৰে যুগান্তকাৰী প্ৰকল্পসমূহক ৰাজ্যখনৰ শক্তিশালী উন্নয়নৰ অন্যতম নিদৰ্শন হিচাপে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে চতুৰ্দশ বিত্ত আয়োগৰ সময়ছোৱাত অসমে ৭,৫০০ কোটি টকাৰ ৯টা বৈদেশিক সাহায্যপ্ৰাপ্ত প্ৰকল্প (পিএপি) লাভ কৰিছিল বুলি উল্লেখ কৰাৰ লগতে পঞ্চদশ বিত্ত আয়োগৰ সময়ছোৱাত ৫৩, ০০০ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন লাভ কৰাৰ কথা উল্লেখ কৰে। ভাষণত মুখ্যমন্ত্ৰী ড° (দহ পৃষ্ঠাত চাওক)

# জুবিন হত্যাৰ গোচৰ অভিনেতা ৰবি শৰ্মাৰ সাক্ষ্যদান



ৰঙিলী বাৰ্ত্তাসেৱা- শিল্পী জুবিন গাৰ্গ হত্যাৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্ট ট্ৰেক আদালতত চলি আছে। যোৱা ৮ জুনৰ পৰা আৰম্ভ হোৱা বিচাৰ প্ৰক্ৰিয়াত ৯ দিন ধৰি চলি আছে এজাহাৰকাৰীৰ সাক্ষ্য গ্ৰহণ । আদালতত এতিয়ালৈকে ২৫জন সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰিলে। শুকুৰবাৰে আদালতত সাক্ষ্য দিবলৈ উপস্থিত হয় শিল্পীগৰাকীৰ একালৰ অন্তৰংগ বন্ধু তথা অভিনেতা ৰবি শৰ্মা। পুৱাই আদালতত উপস্থিত (চাৰিপৃষ্ঠাত চাওক)

# অ'এনজিচিৰ অসম বিৰোধী নীতিৰ বিৰুদ্ধে শিৱসাগৰত আটাছুৰ অৱস্থান ধৰ্মঘট





ৰঙিলী বাৰ্ত্তাসেৱা- অ'এনজিচিৰ বিৰুদ্ধে শিৱসাগৰত প্ৰতিবাদ। অসম সম্পদক লৈ অ'এনজিচিৰ ধাৰাবাহিক বঞ্চনাৰ বিৰুদ্ধে শিৱসাগৰত সদৌ টাই আহোম ছাত্ৰ সন্থা (আটাছু)-এ ৰূপায়ণ কৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি আটাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে অসমৰ বুকুৰ পৰা খনন আৰু উৎপাদন চলাই অহা অ'এনজিচিয়ে হাজাৰ হাজাৰ কোটি টকা উপাৰ্জন কৰাৰ পিছতো অসমীয়া লোকক চৰম প্ৰতাৰণা কৰি আহিছে। অ'এনজিচিত নিযুক্তি লাভ কৰিবলৈ অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে নিজকে উপযুক্ত কৰিবলৈ শৈক্ষিক দিশত দিন-ৰাতি একাকাৰ কৰিছে যদিও অ'এনজিচিৰ ইয়াৰ প্ৰতি কোনো গুৰুত্ব নাই। অ'এনজিচিয়ে নতুন নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ কৰি অসমৰ শিক্ষিত যুৱক-যুৱতীসকলক চৰম বঞ্চনা কৰিছে। যোৱা প্ৰায় দুটা দশক ধৰি অ'এনজিচিয়ে নিযুক্তিৰ পৰা আদি কৰি অ'এনজিচিৰ বিভিন্ন ঠিকা-ঠুকলিত থলুৱা লোকক ধাৰাবাহিকভাৱে (চাৰিপৃষ্ঠাত চাওক)

## নগাঁৱত মৰণোত্তৰ

প্ৰামাণিক তথ্য জিলা প্ৰশাসনে কৌশলেৰে গোপন কেমেৰাত বন্দী কৰে। ইয়াৰ লগে লগে আজি চিকিৎসকৰ বৃত্তিক কলুষিত কৰা অভিযুক্ত চিকিৎসক ডাঃ মনোজ কুমাৰ সিনহাক বিচাৰি নগাঁও আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। ডাঃ মনোজ কুমাৰ সিন্হাক গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই সাংবাদিকৰ আগত কয়, 'নগাঁও মেডিকেল কলেজ হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক, অধ্যাপক ডাঃ মনোজ কুমাৰ সিন্হাক আমি গ্ৰেপ্তাৰ কৰিব লগা হয়। এই 'অভদ্ৰ' লোকজনক আমি যুটীয়াভাৱে ট্ৰেক কৰি আছিলোঁ। তেওঁ ইমান নিকৃষ্ট মনোবৃত্তিৰ কাম কৰিব পাৰে। এফালে মৃতকৰ পোষ্টম'টেম চলি থাকে, পিতৃ-মাতৃ, আত্মীয়-স্বজনে কান্দি থাকে সেই সময়ত তেওঁ সেইসকলক মাতি আনি সোধে- ৰিপ'ৰ্টটো ভাল লাগিবতো!' জিলা আয়ুক্ত শৰ্মাই আৰু কয়, 'এই ব্যক্তিজনক আমি তিনি মাহ ধৰি ট্ৰেক কৰি আছিলোঁ। অভিযোগ বহু পাইছিলোঁ, কিন্তু আমি প্ৰমাণ পোৱা নাছিলোঁ। ৰাইজে আহি অভিযোগ দিয়ে পোষ্টমৰ্টেম ৰিপ'ৰ্টৰ বাবদ টকা বিচাৰে বুলি। তেওঁৰ ইঞ্চুৰেঞ্চ কোম্পানীৰ লগত কি আছে কি নাই নাজানো। কিন্তু টকা দিলে এনেকুৱা ৰিপ'ৰ্ট দিয়ে যাতে ইঞ্চুৰেঞ্চৰ টকাটো পাব পাৰে। টকা নিদিলে ভাল ৰিপ'ৰ্ট নিদিয়ে। মৃতদেহক লৈও তেওঁ অত্যন্ত নিকৃষ্ট কাম কৰিছে। অৱশেষত আমি প্ৰমাণ পালোঁ আৰু লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰিলোঁ। আমি তেওঁক আদালতলৈ লৈ যাওঁতে তেওঁক এনেকুৱাকৈ নিম যাতে গোটেই সমাজখনেই তেওঁক দেখা পায়। এনেকুৱা মানুহক সমাজে প্ৰশ্ৰয় দিব নালাগে। এনেকুৱা কাৰ্য নগাঁৱত কেতিয়াও হ'বলৈ নিদিওঁ। আমি বিধিগত প্ৰক্ৰিয়াৰে আগবাঢ়িব বিচাৰোঁ। এই ঘটনা সন্দৰ্ভত এগৰাকী দণ্ডাধীশ, নগাঁৱৰ অতিৰিক্ত আয়ুক্ত কমলজিত শৰ্মাই থানাত এটা গোচৰ ৰুজু কৰিছে।'

# সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকালৈ চন্দ্ৰকান্ত হাজৰিকা-টীয়ক সাহিত্য বঁটা




ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসন অলংকৃত কৰা, অৱসৰী অধ্যাপিকা, প্ৰথিতযশা সাহিত্য, কবি, গল্পকাৰ, সাহিত্য সমালোচক, গৱেষক সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাক ২০২৬ বৰ্ষৰ চন্দ্ৰকান্ত হাজৰিকা আৰু পুতু হাজৰিকা সোঁৱৰণী টীয়ক সাহিত্য বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। প্ৰতি বছৰে প্ৰদান কৰি অহা ৰাজ্যিক পৰ্যায়ৰ উক্ত বঁটাটি ষষ্ঠতম বৰ্ষৰ বাবে সাহিত্যাচাৰ্য গৰাকীক প্ৰদান কৰাৰ কথা আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰে বঁটা নিৰ্বাচনৰ বাবে গঠিত নিৰ্বাচকমণ্ডলী তথা দাতা পৰিয়ালে। এক বিৰল ব্যক্তিত্বৰ অধিকাৰী তথা সুবিশাল সাহিত্য কৃতিৰে বিভূষিতা ড° কৰবী ডেকা হাজৰিকাই অসম সাহিত্য সভা আৰু সাহিত্য অকাডেমীৰ ক্ষেত্ৰতো বিভিন্ন দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ অভিজ্ঞতাপুষ্ট। সাহিত্য অকাডেমীৰ দুটা কাৰ্যকালত অসমীয়া ভাষা সাহিত্যৰ উপদেষ্টা সমিতিৰ আহ্বায়ক আৰু কেন্দ্ৰীয় কাৰ্যবাহী সমিতিৰ সদস্য হিচাপে দায়িত্ব পালন কৰা ড° হাজৰিকা বিশাল সাহিত্য কৃতিৰে অসমৰ জাতীয় তথা সমাজ জীৱনত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে । সাহিত্যিকগৰাকীক এই সন্মান প্ৰদান কৰিব বুলি বঁটাৰ দাতা টীয়ক নিবাসী দেৱজিৎ হাজৰিকাই জানিবলৈ দিয়ে। ইতিমধ্যে বিগত বৰ্ষকেইটাত বৰ্ষীয়ান সাহিত্যিক তথা গৱেষক ড° ভাৰত বৰা, ৰহস্যসম্ৰাট ৰঞ্জু হাজৰিকা, অগ্নিশিখাখ্যাত অৰুণ গোস্বামী, মিচিং জনগোষ্ঠীৰ বৰেণ্য সাহিত্যিক কালীনাথ পাংগিং, কাব্যশাস্ত্ৰী তথা সংস্কৃত পণ্ডিত ড° অৰুণ চন্দ্ৰ শইকীয়াক এই বঁটাৰে সন্মানিত কৰা হয়। উক্ত বঁটা ২০২৬ বৰ্ষৰ নৱেম্বৰ মাহত টীয়কত অনুষ্ঠিত হ'বলগীয়া টীয়ক ই-মিডিয়াৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থমেলাৰ এক অনুষ্ঠানত প্ৰদান কৰা হ'ব বুলি দাতা পৰিয়ালৰ হৈ দেৱজিৎ হাজৰিকাই জানিবলৈ দিয়ে।

# মিৰ্জাত ফুটবল বিপ্লৱ, উদীয়মান প্ৰতিভাক বিশ্বমানৰ প্ৰশিক্ষণ দিছে অনুজ্ঞাপত্ৰপ্ৰাপ্ত প্ৰশিক্ষক মানস প্ৰতিম দাসে



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ফুটবল জগতলৈ আশাৰ বতৰা কঢ়িয়াই দক্ষিণ কামৰূপৰ মিৰ্জাত আৰম্ভ হৈছে এক নতুন ক্ৰীড়া আন্দোলন। অঞ্চলটোৰ কিশোৰ-কিশোৰীসকলক ফুটবলৰ জৰিয়তে শাৰীৰিক আৰু মানসিকভাৱে সবল কৰি তুলিবলৈ ২০২৪ চনতে স্থাপন কৰা হৈছে 'মিৰ্জা ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ'। স্থানীয় প্ৰতিভাক সঠিক দিশ দৰ্শন কৰোৱাৰ লক্ষ্যৰে এই একাডেমীখনে ২০২৬ বৰ্ষৰ নতুন খেলুৱৈৰ নামভৰ্তি প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে মুকলি কৰিছে।এই প্ৰশিক্ষণ কেন্দ্ৰটোৰ আঁৰৰ মূল কাণ্ডাৰীগৰাকী হৈছে অঞ্চলটোৰে সুপৰিচিত খেলুৱৈ তথা প্ৰশিক্ষক মানস প্ৰতিম দাস। উল্লেখযোগ্য যে, মানস (দহ পৃষ্ঠাত চাওক)

# গণেশগুৰিৰ উৰণ সেতুৰ তলত নতুন ৰূপত জিলিকিল প্ৰাণৰ শিল্পী জুবিন গাৰ্গ



ৰঙিলী বাৰ্ত্তাসেৱা- কেৱল অসম আৰু অসমীয়াৰ বাবেই ওৰেটো জীৱন উৎসৰ্গা কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আজি কায়িকভাৱে নাই যদিও প্ৰতিজন অসমীয়াৰ হৃদয়ৰ মাজত আছে। জীবিত জুবিনতকৈ মৃত জুবিন অধিক প্ৰাসংগিক হৈ পৰিছে অসম আৰু অসমীয়াৰ বাবে। গণেশগুৰি উৰণ সেতুত অংকিত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি মচি দিয়াক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখ্য যে একাংশ কাণ্ডজ্ঞানহীন কৰ্মীয়ে মহানগৰীৰ বিভিন্ন প্ৰান্তক চিকুণাই তোলাৰ নামত গণেশগুৰিৰ (পাঁচ পৃষ্ঠাত চাওক)

# অ'এনজিচিৰ অসম বিৰোধী নীতিৰ


বঞ্চিত কৰিছে। বৰ্তমান অ'এনজিচিয়ে অতি চতুৰালিৰে অ'এনজিচিৰ অসম সম্পদৰ গুৰুত্বপূৰ্ণ কাৰ্যালয়সমূহ ডেৰাডুনলৈ স্থানান্তৰিত কৰি আহিছে। এফালে দীৰ্ঘদিন ধৰি অ'এনজিচিত নতুন নিযুক্তি বন্ধ কৰি থোৱা বহুজাতিক কোম্পানীটোৱে অতি সংগোপনে বহিঃৰাজ্যতে নতুন নিযুক্তি দি পৰৱৰ্তী সময়ত অসম সম্পদ নাজিৰালৈ বদলি হৈ অহা দেখুৱাই আহিছে। প্ৰতিটো সময়তে অতি চক্ৰান্তৰে বহিঃৰাজ্যৰ প্ৰাৰ্থীক অ'এনজিচিত নতুন নিযুক্তি দিয়াৰ ফলশ্ৰুতিত অসমীয়া মেধাসম্পন্ন শিক্ষিত যুৱক-যুৱতীসকল অ'এনজিচিত নিযুক্তি লাভ কৰাৰ পৰা বঞ্চিত হৈ পৰিছে বুলি সভাপতিগৰাকীয়েকয়। এসময়ত দহ হাজাৰ কৰ্মচাৰী থকা অ'এনজিচিত বৰ্তমানৰ কৰ্মচাৰীৰ সংখ্যা হ'ল কেৱল ১, ৮০০। অ'এনজিচিয়ে ক'ব বিচাৰে যে তেওঁলোকে খনন আৰু উৎপাদনত লাভান্বিত হ'ব নোৱাৰাৰ বাবে নতুন নিযুক্তি দিব পৰা নাই। কিন্তু প্ৰশ্ন হ'ল- অ'এনজিচিয়ে যিবোৰ তৈলক্ষেত্ৰ ব্যক্তিগত মাল্টি নেচনেল কোম্পানীক গতাই দিছে, তেওঁলোক কেনেকৈ লাভৱান হৈছে। ইয়েই স্পষ্ট কৰি দিছে যে অ'এনজিচিত সক্ৰিয় হৈ থকা অসম আৰু অসমীয়া বিৰোধী চক্ৰটোৰ এয়া এক চক্ৰান্ত বুলি কৈ ক্ষোভ উজাৰে। যিসমূহ তৈলক্ষেত্ৰ ইতিমধ্যে অ'এনজিচিয়ে ব্যক্তিগত কোম্পানীৰ হাতত গতাই দিছে, এইবিলাক তৈলক্ষেত্ৰত প্ৰচুৰ উৎপাদনৰ সম্ভাৱনা আছে। ন ন প্ৰযুক্তি থকাৰ পিছতো অ'এনজিচিৰ অসমবিৰোধী চক্ৰটোৱে অতি চতুৰালিৰে এই তৈলক্ষেত্ৰসমূহ মৃতপ্ৰায় বুলি ঘোষণা কৰি ব্যক্তিগত কোম্পানীসমূহক গতাই অসমক চূড়ান্তভাৱে প্ৰতাৰণা কৰিছে। আনকি অ'এনজিচিত সক্ৰিয় হৈ থকা অসমবিৰোধী চক্ৰটোৱে অ'এনজিচিৰ অসম সম্পদৰ চিকিৎসালয়কেইখনত নিয়োজিত হৈ থকা অসমীয়া অভিজ্ঞ চিকিৎসককেইজনক অসমৰ পৰা অন্য ৰাজ্যলৈ বদলি কৰিছে। বদলি হৈ যোৱা চিকিৎসকসকলৰ খালী হৈ থকা স্থানত আন ৰাজ্যৰ কিছুমান নতুন আৰু অনভিজ্ঞ চিকিৎসকক নিযুক্তি দিছে। ফলশ্ৰুতিত অসম সম্পদৰ অ'এনজিচিৰ চিকিৎসালয়কেইখনৰ চিকিৎসা সেৱা একে বাৰে নিম্নমানৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অ'এনজিচিৰ অসমবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। অন্যথা অ'এনজিচিৰ বিৰুদ্ধে শিৱসাগৰত ব্যাপক আন্দোলন গঢ়ি তোলা হ'ব বুলি আটাছুৰ সভাপতিজনে হুংকাৰ দিয়ে। এই প্ৰতিবাদস্থলীৰ পৰাই আটাছুৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ড° শৰ্মালৈ এখনি স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়।

# অসম বিধানসভাৰ উপাধ্যক্ষ পদৰ প্ৰাৰ্থী ডাঃ হাব্বে টেৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৬ জুলাইৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। বাজেট অধিৱেশনৰ প্ৰাক্ক্ষণত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিলে বিধানসভাৰ উপাধ্যক্ষ পদৰ প্ৰাৰ্থীৰ নাম। ষষ্ঠদশ বিধানসভা অধিৱেশনৰ প্ৰাক্মুহূৰ্তত ৰাজ্যৰ বিধানসভাৰ উপাধ্যক্ষ পদটোৰ বাবে পশ্চিম কাৰ্বি আংলঙৰ আমৰি (অনুসূচিত জনজাতি) বিধানসভাৰ নৱনিৰ্বাচিত বিধায়ক ডাঃ হাব্বে টেৰণক নিৰ্বাচিত কৰা হৈছে। (নপৃষ্ঠাত চাওক)

# বন্ধ নহয় ৩০তকৈ কম ছাত্ৰ-ছাত্ৰী থকা সকলো প্ৰাথমিক বিদ্যালয়ঃ শিক্ষামন্ত্ৰী ডাঃ পেগু



ৰঙিলী বাৰ্ত্তাসেৱা- বন্ধ নহয় ৩০জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা সকলো প্ৰাথমিক বিদ্যালয়। শেহতীয়াকৈ যিসমূহ প্ৰাথমিক বিদ্যালয়ত ৩০জনতকৈ কম শিক্ষাৰ্থী আছে তেনে বিদ্যালয় বন্ধ কৰি দিয়া হ'ব বুলি ব্যাপক চৰ্চা চলিছিল যদিও এই চৰ্চাক নস্যাৎ কৰি সংবাদ মাধ্যমৰ আগত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিষয়টো সন্দৰ্ভত কয়- ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা যদি তিনিখন প্ৰাথমিক বিদ্যালয় আছে, তেতিয়া তিনিওখন একত্ৰীকৰণ কৰি এখন কৰা হ'ব। কলাক্ষেত্ৰত কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি শিক্ষামন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয়- ৩০জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় বন্ধ হ'ব বুলি যি প্ৰচাৰ চলিছে, এয়া সম্পূৰ্ণৰূপে ভিত্তিহীন তথ্য। (দহ পৃষ্ঠাত চাওক)

# জুবিন হত্যাৰ গোচৰ

হোৱা অভিনেতা শৰ্মাৰ সাক্ষ্য আধৰুৱা হ'ল। বাকী অংশ আদালতে শনিবাৰে গ্ৰহণ কৰিব। আদালতত সাক্ষ্য প্ৰদান কৰি সংবাদ মাধ্যমৰ সন্মুখত অভিনেতা ৰবি শৰ্মাই কয়, যি ধৰণে ভাবিছিলোঁ তেনেদৰেই কথা কৈছোঁ। আমি দিয়া এজাহাৰখনৰ ওপৰত তেওঁলোকৰ যি প্ৰশ্ন আছিল সেয়া সুধিলে। প্ৰথমে শ্যামকানু মহন্তৰ উকীলে ক্ৰছ প্ৰশ্ন কৰিলে, তাৰ পাছত অমৃতপ্ৰভা মহন্তৰ উকীলে আৰম্ভ কৰিছিল। কিন্তু যিহেতু প্ৰমাণ বহুত আছে, যিবোৰ ইতিমধ্যে এছআইটিয়ে দাখিল কৰিছে তাত বহুত ফটোগ্ৰাফ আছে। সেই ফটোগ্ৰাফৰ ১১ টা পেজ যোৱাৰ পাছতে সময় শেষ হোৱাৰ বাবে বন্ধ কৰিবলগীয়া হ'ল। কাইলৈ পুনৰ জেৰা আৰম্ভ হ'ব। আনহাতে, আদালতত সাক্ষ্য প্ৰদান সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত অভিনেতা ৰবি শৰ্মাই কয়, মই যিটো চিন্তাধাৰাৰে আহিছোঁ বা যিখিনি মূৰত লৈ আহিছোঁ সেইখিনিয়ে মই কৈছোঁ। আৱেগৰ ভিত্তিত যে এখন এজাহাৰ দিয়া নাই সেই কথা মই বাৰম্বাৰ কৈছোঁ। জুবিন গাৰ্গ নহয়, আচলতে আমি ন্যায় পাব লাগে। উল্লেখ্য যে আদালতত শিল্পীগৰাকীৰ ভগ্নী ড° পামী বৰঠাকুৰেও সাক্ষ্য প্ৰদানৰ বাবে হাজিৰ হোৱাৰ কথা আছিল যদিও শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ আদালতত উপস্থিত হ'বলৈ সক্ষম নহ'ল। আনহাতে, গুৱাহাটী উচ্চ ন্যায়ালয়ত ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰা হয়। আদালতে সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাৰ শুনানি লয় যদিও চৰকাৰী পক্ষৰ শুনানি গ্ৰহণ নকৰি অহা ২৩ জুনত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে।

# ভাৰতক কোনোবাই আক্ৰমণ কৰিলে সহায় কৰিব আমেৰিকাইঃড'নাল্ড ট্ৰাম্প




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত আক্ৰমণৰ সন্মুখীন হ'লে তেনে অৱস্থাত আমেৰিকাই দেশখনক সহায় কৰিব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে জি-৭ শীৰ্ষ সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হোৱাৰ সময়ত এই প্ৰতিশ্ৰুতি দিয়ে। ৰাষ্ট্ৰপতি ট্ৰাম্পে স্পষ্টকৈ কয়, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন ভাৰতৰ ওপৰত যদি কেতিয়াবা কোনো দেশে আক্ৰমণ কৰে, তেন্তে আমেৰিকাই সামৰিকভাৱে সহায় কৰিব। ট্ৰাম্পে অৱশ্যে এটা চৰ্ত উল্লেখ কৰি কয়, যদি ভাৰতত কোনো নতুন নেতা আহে, মই সহায় কৰাৰ বিষয়ে নিশ্চিত হ'ব নোৱাৰিম। কিন্তু এই সুৰক্ষা কেৱল প্ৰধানমন্ত্ৰী মোদীৰ সবল নেতৃত্বৰ দিনতহে পাব। মোদী থকালৈকে ভাৰত সুৰক্ষিত। যিকোনো দেশৰ আক্ৰমণ হ'লেই ভাৰতৰ কাষত থিয় দিব আমেৰিকা। বৈঠকৰ সময়ত প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰি ট্ৰাম্পে লগতে কয়, ভাৰতৰ প্ৰতিগৰাকী জনতাৰ মোদীৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আছে। মোদী দেখিবলৈ স্বৰ্গদূতৰ দৰে, কিন্তু আচলতে তেওঁ ব্যৱসায় ( নপৃষ্ঠাত চাওক)

# মোদী চৰকাৰৰ ১২ বৰ্ষপূৰ্তি উপলক্ষে শ্বহীদ স্মাৰকক্ষেত্ৰত মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনকল্যাণমূলক উন্নয়নৰ ১২টা গৌৰৱোজ্জ্বল বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সমগ্ৰ দেশৰ লগতে গুৱাহাটীত তিনি-দিনীয়াকৈ ৰাজ্যিক বিজেপিয়ে অনুষ্ঠিত কৰিছে বিশেষ প্ৰদৰ্শনী অনুষ্ঠান। প্ৰধানমন্ত্ৰী মোদীৰ অসমৰ প্ৰতি অৱদানসমূহ স্মৰণেৰে গুৱাহাটীৰ শ্বহীদ স্মাৰকক্ষেত্ৰত আয়োজন কৰা প্ৰদৰ্শনী পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰদৰ্শনী পৰিদৰ্শন কৰাৰ লগতে শ্বহীদ স্মাৰকক্ষেত্ৰত নতুনকৈ সংযোজন হ'বলগীয়া আন্তঃগাঁথনিসমূহৰ নিৰ্মাণৰ অগ্ৰগতিৰো বুজ লয়। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে প্ৰদৰ্শনী পৰিদৰ্শন কৰি উল্লেখ কৰিছে যে- শ্বহীদ স্মাৰকক্ষেত্ৰৰ বাকৰিলৈ গৈ প্ৰতিবাৰেই ( নপৃষ্ঠাত চাওক)

# নীট-ইউজি পৰীক্ষাক লৈ কঠোৰ মুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগীয়া নীট পৰীক্ষাক লৈ ব্যাপক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে । পুনৰ অনুষ্ঠিত হ'বলগীয়া নীট পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল ৰোধ কৰিবলৈ আৰু নিৰাপত্তাৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে সাময়িকভাৱে টেলিগ্ৰাম নিষিদ্ধ কৰিছে । অসমতো নীট পৰীক্ষা সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। লোকসেৱা ভৱনত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে এক ভিডিঅ' কনফাৰেঞ্চ অনুষ্ঠিত কৰি ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগা নীট-ইউজি পৰীক্ষাৰ সময়ছোৱাত কঠোৰ নিৰাপত্তা ব্যৱস্থা আৰু ( নপৃষ্ঠাত চাওক)

# গণেশগুৰিৰ উৰণ সেতুৰ

উৰণ সেতুৰ খুঁটাত অংকিত প্ৰাণৰ শিল্পীৰ প্ৰতিচ্ছবিখন মচি পেলাইছিল। নিমিষতে এই ঘটনা সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ লগতে ছবিখন অংকন কৰা শিল্পী মাৰ্শ্বেল বৰুৱাই আৱেগিকভাৱে ফেচবুকত পোষ্ট কৰি ছবিখন বৃহস্পতিবাৰে পুনৰ অংকন কৰাৰ ঘোষণা কৰিছিল। বৃহস্পতিবাৰে বিয়লি ৪ বজাত গণেশগুৰিৰ উৰণ সেতুৰ তলত ৰাইজক সমৱেত হোৱাৰ আহ্বান জনাই শিল্পী বৰুৱাই ছবিখন ৰাইজৰ উপস্থিতিত অংকন কৰাৰ ঘোষণা কৰিছিল। সেইমৰ্মে বিয়লি প্ৰায় ৪.২০ বজাত শিল্পীগৰাকীয়ে গণেশগুৰিত উপস্থিত হৈ কাণ্ডজ্ঞানহীন কৰ্মীসকলে মচি পেলোৱা ছবিখন আন কেইবাগৰাকীও সহযোগী শিল্পীৰ সহযোগত পুনৰ অংকন কৰে। মন কৰিবলগীয়া যে ছবিখন মচি পেলোৱাক লৈ শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰে সামাজিক মাধ্যমযোগে এই কৰ্মকাণ্ডৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছিল। ইয়াৰ পাছতে বহুসংখ্যক জুবিন অনুৰাগীয়েও এই কাণ্ডত ক্ষোভ প্ৰকাশ কৰি চৰকাৰক ইয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱাৰ দাবী জনাইছিল। শিল্পীগৰাকীৰ মৃত্যুৰ পাছতে এই ছবি অংকন কৰিছিল শিল্পী মাৰ্শ্বেল বৰুৱাই। কাণ্ডজ্ঞানহীন একাংশ লোকে ছবিখনৰ গুৰুত্ব উপলব্ধি নকৰাকৈয়ে মচি পেলোৱাক লৈ আৱেগিক হৈ পৰা শিল্পী বৰুৱাই জনসমাগমক লৈ কয় যে ইমান মানুহ ওলাই আহিব বুলি ভবা নাছিলোঁ। আজি ভিৰ বহুত বেছি হোৱা বাবে ছবিখন আঁকিবলৈ কিছু অসুবিধা হৈছে। আজি থূলমূলকৈ ছবিখন আঁকিলোঁ যদিও পৰৱৰ্তী সময়ত ভালদৰে ছবিখন আঁকিম। লক্ষণীয় যে প্ৰিয় শিল্পীগৰাকীৰ ছবিখন মচি পেলোৱাক লৈ আজি একপ্ৰকাৰ উত্তাল হৈ পৰে গণেশগুৰি। বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন অনুৰাগীয়ে জয় জুবিনদা ধ্বনিৰে গণেশগুৰি কঁপাই তোলাৰ পাছত জি এছ ৰোড, ৰাধাগোবিন্দ বৰুৱা পথ, দিছপুৰ-কছাৰীবস্তি সংযোগী পথ আৰু গণেশগুৰি-ছুপাৰ মাৰ্কেট সংযোগী পথত বহু সময়লৈকে তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। কেইবাঘণ্টাৰ মূৰকতহে যান-বাহন আৰক্ষীয়ে এই যান-জট মুকলি কৰিবলৈ সক্ষম হয়।

# অম্বুবাচী মহাযোগত ৮ লাখতকৈ অধিক ভক্তক আদৰিবলৈ সাজু হৈছে চৰকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অম্বুবাচী মহাযোগৰ প্ৰাক্কক্ষণত উখল-মাখল হৈ পৰিছে নীলাচলৰ বুকু। ভক্ত-দৰ্শনাৰ্থী, সাধু-সন্তৰ পদধূলিৰে আলোড়িত হৈ পৰিছে নীলাচল পাহাৰস্থিত বিশ্বৰ অন্যতম শক্তিপীঠ মা কামাখ্যা মন্দিৰ চৌহদ । এইবাৰ অম্বুবাচী মহাযোগত ৮ লাখতকৈ অধিক ভক্তক আদৰিবলৈ সাজু হৈছে চৰকাৰ, প্ৰশাসন, মন্দিৰ কৰ্তৃপক্ষ ।মহাশক্তিপীঠ কামাখ্যাৰ অম্বুবাচী মেলা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। দেশ-বিদেশৰ পৰা আহিবলগা লাখ লাখ ভক্তৰ সমাৱেশত অহা ২২ জুনৰ পৰা ২৬ জুনলৈ হ'বলগা এই মহা অম্বুবাচী মেলা উত্তৰ-পূবৰ ভিতৰতে আন এক বৃহৎ ধৰ্মীয় মেলা হ'ব বুলি আশা কৰা হৈছে। মহা অম্বুবাচী মেলাৰ প্ৰস্তুতি আৰু ইয়াক কেনেদৰে সফল ৰূপত সুচাৰুৰূপে সম্পন্ন কৰিব পৰা যায় এই লৈ পৰ্যটন মন্ত্ৰী অজন্তা নেওগে এক সংবাদ মেল সম্বোধন কৰে আৰু কয় যে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰলৈ বহু বৰঙণি আগবঢ়োৱা এই মেলা নিৰাপদ আৰু সুশৃংখলাৰে আধ্যাত্মিকভাৱে সম্পন্ন কৰাৰ বাবে পৰিৱেশ ৰচনা কৰাটো পৰ্যটন বিভাগৰ লক্ষ্য। সংবাদ মেলযোগে পৰ্যটন মন্ত্ৰী অজন্তা নেওগে কয় যে দেশ-বিদেশৰ পৰা অহা ভক্তসকলৰ কাৰণে এইবাৰ তিনিটা বৃহৎ শিবিৰৰ ব্যৱস্থা কৰা হৈছে। এইকেইটা শিবিৰ কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ আৰু নাহৰবাৰীত স্থাপন কৰা হৈছে। ইয়াৰে নাহৰবাৰীত স্থাপন কৰা শিবিৰটো আৰক্ষী শিবিৰ হ'ব। অহা ২১ জুনৰ ভিতৰত এই শিবিৰসমূহ সম্পূৰ্ণ হ'ব। অম্বুবাচী মেলা যাতে সুচাৰুৰূপে ( নপৃষ্ঠাত চাওক)

# যোগাসনৰ অভ্যাসে নিজৰ স্বাস্থ্যক নিজৰ সম্পদ হিচাপে গঢ়িব পাৰি



**নমিতা দাস,শুৱালকুছি**

যোগ শব্দৰ অৰ্থ হৈছে মিলন বা বন্ধন । সাধাৰণ অৰ্থত শৰীৰ, মন- প্ৰাণ আৰু বুদ্ধি এইকেইটা সমান অবস্থাত ৰখা সৰল প্ৰক্ৰিয়াটোকে “যুগ” বোলে। বিভিন্ন শাস্ত্ৰত যোগৰ সংজ্ঞা বেলেগ বেলেগ। এজন মানুহ সুস্থ-সবল ভাবে জীয়াই থাকিবৰ বাবে শৰীৰটো ভালে ৰখাটো নিতান্তই প্ৰয়োজন। বৰ্তমানৰ যান্ত্ৰিকতাৰ যুগত মানুহৰ জীৱন ধাৰণৰ প্ৰণালীৰ লগতে শাৰীৰিক পৰিশ্ৰমৰ মাত্ৰা বহুখিনি লাঘব হোৱা দেখা যায় । সময়ৰ পৰিবৰ্তনে ভেজাল খাদ্যৰ লগতে প্ৰদুষণৰ প্ৰয়োভৰ বৃদ্ধি কৰাৰ ওপৰিও কম্পিউতাৰ ব্যৱহাৰৰ লগতে বিভিন্ন বৈজ্ঞানীক পদ্ধতিৰে কৰা বিভিন্ন কাৰ্যই শাৰীৰিক পৰিশ্ৰম লাঘৱ কৰিছে। যাৰ ফলত শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত ব্যঘাত জন্মা দেখা যায়।শিক্ষাৰ্থী সকল বিভিন্ন প্ৰতিযোগিতা মুলক পৰীক্ষাত অৱতীৰ্ণ হ’বৰ বাবে কম্পিউটাৰৰ লগতে বেছি সময় অধ্যয়নত ব্যস্ত থাকিব লগা হোৱাৰ বাবে শাৰীৰিক ধাবা নতুবা শৰীৰ মনলৈ অহা অবসাদ দূৰ কৰিবলৈ উৎকৃষ্ট উপায় হৈছে যোগাসণ আৰু প্ৰাণায়াম । বৰ্তমান সময়ত খাদ্যৰ লগতে বায়ু, পানী, বতাহত থকা প্ৰদুষণে জীৱন দুৰ্বিসহ কৰি তোলাৰ ওপৰিও ন, ন জতিল ৰোগত আক্ৰান্ত হোৱাৰ ফলত মানসিক আৰু দৈহিক সুখ শান্তি ভংগ হৈছে । কিন্তু যোগাসনৰ অভ্যাসে শৰীৰ সুস্থ সবল কৰি তোলে ।

যোগাসনে যে শাৰীৰিৰ শিথিলতা দূৰ কৰে তেনে নহয়, মানসিক ভাবেও সুস্থ আৰু সবল কৰি তোলে, ফলত মানসিক শান্তি অক্ষুন্ন ৰাখে। বৰ্তমান সময়ত চিকিৎসাৰো অংগ হৈ পৰিছে যোগাসন আৰু প্ৰাণায়াম ।বিভিন্ন বেমাৰত ঔষধৰ পৰা হ’ব পৰা বিপৰীত মুখী পাৰ্শ্চক্ৰিয়াৰ পৰা পৰিত্ৰাণ পাবলৈও যোগাসনকে বেমাৰৰ আন এটি ঔষধ হিচাপে ধৰি লৈ নিয়মিত ভাবে চৰ্চা কৰি সুফল পোৱা দেখা যায় । মহা মহা মনিষী সকলে যোগাসনৰ পৰা হ’ব পৰা সুস্থ সবল জীৱনৰ অবদানৰ কথা কৈ গৈছে। ঋষিমুনি সকলে তেওঁলোকৰ যোগাভ্যাস আৰু ফলাহাৰৰ পৰাই দীৰ্ঘায়ু হোৱা বুলি ধাৰণা কৰা হয়। নিয়মিত যোগাসনৰ অভ্যাসে শৰীৰটোক বাহিৰা বেমাৰৰ বিজাণুৰ পৰা মুক্ত কৰি ৰাখে।

বৰ্তমান সময়ত ভাৰতৰ লগতে পৃথিৱীৰ বহুকেইখন দেশত যোগাসনে সমাদৰ লাভ কৰাৰ ফলত যোগাসনৰ প্ৰতি আকৃষ্ট হৈ শিশুৰ পৰা প্ৰাপ্ত বয়স্ক লোক সকলেও যোগাসনৰ চৰ্চা কৰা দেখিবলৈ পোৱা যায়। চহৰ নগৰৰ নাগৰিকেই নহয় গাওঁ অঞ্চলতো যোগাসনৰ চৰ্চা পৰিলক্ষিত হয় ।সুস্থ শৰীৰ তথা মানসিক শান্তিৰ নিতান্তই প্ৰয়োজন। এই প্ৰয়োজনীয়তাৰ সজাগতাই যোগাসন আৰু ব্যায়ামৰ প্ৰতি মানুহক আকৰ্ষিত হোৱাৰ আন এক কাৰণ বুলি ধৰিব পাৰি।

বিশেষকৈ মহিলা সকলৰ বাবে যোগাভ্যাস অতি প্ৰয়োজন । ঘৰখনৰ মহিলা গৰাকীৰ স্বাস্থ্যৰ ওপৰত ঘৰখনৰ প্ৰভাৱ বাৰুকৈয়ে পৰে। কাৰণ খোৱা-লোৱাকে ধৰি প্ৰতি গৰাকী সদস্যৰে সম্পূৰ্ণ দায়িত্ব বহন কৰে ঘৰখনৰ মহিলা গৰাকীয়ে। তেওঁ সুস্থ হৈ থাকিলে ঘৰখনৰ বাৰ্তাবৰণ সুস্থ হয়। শাৰীৰিক আৰু মানসিক ভাবে সকলো সুস্থ হৈ থাকিলেহে ঘৰ খনৰ সুখ-শান্তি বিৰাজ কৰে ।মহিলাসকলে ঘৰ খনৰ অন্য সদস্যৰ তুলনাত নিজৰ যত্ন কমকৈ লোৱা পৰিলক্ষিত হয়। খোৱা লোৱাৰ ক্ষেত্ৰতো ঘৰখনৰ পৰিয়ালক সকলো যোগান ধৰি অৱশিষ্ট খিনিহে নিজে খাই। তেনে কৰাৰ ফলত কেতিয়াবা নিজৰ ভাগলৈ নাটনী হ’লেও তেওঁ নিমাত হৈ ৰয়। ফলত দেহত প্ৰয়োজনীয় ভিটামিন খিনিৰ অভাৱ হোৱা দেখা পোৱা যায়। ঘৰখনৰ সকলো কাম সামৰি নিজৰ যত্ন ল’বলৈ সময়ৰ অভাৱেও পুৰুষ সকলৰ তুলনাত নাৰী সকল সোনকালে বেমাৰত আক্ৰান্ত হয় বা বয়সৰ চাপ অধিক মাত্ৰাত পৰে। নাৰী সকলে নিজে নিজৰ যত্ন লোৱা অতি প্ৰয়োজন। ঘৰখনৰ প্ৰতিটো শিশু হৈছে ভবিষ্যত সমাজৰ একো একোজন সু নাগৰীক। গতিকে ঘৰখন সুস্থ সবল হৈ থকা মানে সমাজখনতো সুস্থ পৰিবেশ সৃষ্টি হোৱা।

বৰ্তমান সময়ত শিক্ষা ব্যৱস্থাতো শৰীৰ চৰ্চাক অংগ হিচাপে লোৱাৰ ফলত ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধিয়ে সজাগতাৰ সৃষ্টি কৰিছে। পুৰুষ সকলৰ লগত মহিলা সকলেও সমানে হাত মিলাই সৌন্দৰ্য চৰ্চাৰ লগতে শাৰীৰিক ব্যায়ামৰ শিক্ষাৰ জড়িয়তে নিজকে সুস্থ কৰি শাৰীৰিক আৰু মানসিক ভাবে সবল হ’বলৈ কৰা প্ৰচেষ্টাক শলাগিব লগিয়া। সেয়ে হয়তো চহৰৰ লগতে গাওঁ সমূহতো স্বেচ্ছাসেৱী সংগঠনৰ যুগেদি যোগাসন আৰু প্ৰাণায়ামৰ বিনামুলীয়া প্ৰশিক্ষণৰ বাতাবৰণ গঢ়ি উঠা দেখা যায়।

“ স্বাস্থ্যই পৰম ধন, দেহা থাকিলেহে বেহা” বুলি এষাৰ কথা আছে । সুস্থ শৰীৰে মনটোক সুস্থ কৰি ৰাখে । মন সুস্থ হ’লেহে এজন মানুহ জীৱনত আগবাঢ়ি যোৱাত সহায় হয় । গতিকে নিজৰ স্বাস্থ্য হৈছে জীৱনৰ প্ৰধান সম্পদ ।এই সম্পদ হেৰুৱা মানে জীৱন টো হেৰাই যোৱা ।নিজৰ লগতে পৰিয়ালৰ সুখ শান্তি বিৰাজ কৰি ৰাখিবলৈ নিজকে সু স্বাস্থ্যৰ অধিকাৰি কৰি ৰাখিবই লাগিব ।


# বাক ৰুদ্ধ জনতা



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

জনতাৰ চিন্তা যেতিয়া পংগু হবলৈ ধৰে,
প্ৰলোভনৰ মায়াত যেতিয়া বন্দী হয় ব্যক্তি সত্তা,
আপোন স্বাৰ্থৰ তাড়নাত আবেগবোৰ যেতিয়া বিক্ৰি হয়,
ক্ষমতা লাভৰ বাসনা তীব্ৰ হয় যেতিয়া,
প্ৰাপ্যতা অৰ্জনত যেতিয়া বিফল
মনোৰথ হয়,
কাৰোবাৰ ভৰি -চেলেকী মাটিৰ গোন্ধ পোৱা হয় যেতিয়া,
কৰ্মৰ স্থানক মৰিষন কৰি হিতাধিকাৰী হোৱাৰ
প্ৰবল হেপাহ যেতিয়া জাগ্ৰত হয় প্ৰাণত,
ধৰ্মক লৈ গোড়ামী, বিবিধতা, অৰাজকতা,
লুণ্ঠন হয় যেতিয়া,
আইন-প্ৰশাসন যেতিয়া নিয়ন্ত্ৰীত হয় কোনোৰাৰ দ্বাৰা,
ভাবনা বোৰক যেতিয়া হেছি ৰখাৰ প্ৰয়োজন হয়, অধিকাৰবোৰ
যেতিয়া খৰ্ব কৰিবলৈ কুণ্ঠাবোধ নাইকিয়া হয়,
সমাজ ব্যৱস্থাৰ যেতিয়া অচলাৱস্থা
হয়,
জনতা তেতিয়াই বাকৰুদ্ধ হয়।।

# তুমি আহিবা বুলি



**টোলন তাছা,কলিয়াবৰ, নগাঁও**

তুমি আহিবা বুলি
এসাগৰ আশাৰে খুলি থৈছোঁ
পজাঁখনৰ আটাইবোৰ দুৱাৰ - খিৰিকি
মাথো খালি হাতে নাহিবা দেই
পাৰিলে সাৰটি আনিবা
এগালমান তৰাফুলীয়া জোনাক
চিৰসেউজীয়া চাহ বাগিচাৰ গলিবোৰত
হাতে হাত ধৰি আগুৱাই যাম
পাতিম আমি অন্তৰংগ আলাপ
তুমি আহিলে এজাৰ ফুলিব
সোণাৰুৰ হালধীয়াই মন উতনুৱা কৰিব
কৃষ্ণচূড়াই জুৰিব নৱ জীৱনৰ গীত।
ৰাধাচূড়াই ৰূণ দিব শিৰীষৰ ডালত
ৰ’দালিয়ে আঁকিব সোণালী সপোন
তোমাৰ কোমল গোলপীয়া গালত।
তুমি আহিবা বুলি
নিজম নিশাৰ নিৰৱতা ভেদি
বালিমাহীয়ে বজাইছে সমধুৰ বাঁহী ।

# লিমাৰিক



**মালবিকা দেৱী, শোণিতপুৰ, হুগ্ৰাজুলি**

১)

খুড়ীয়ে বনাব বোলে কঁঠালৰ পিঠা,
মাক ক'লে খাই চাওক আছেনে মিঠা।
মায়ে খাম বুলি ল'লে,
মোকো খোৱা বুলি ক'লে।
খাওঁতে হাতত লাগিল বহুত আঠা।

২)

বাৰীত এতিয়া কঁঠাল বোৰ পকিছে,
পকা ফল দেখি বৌৰ খাব মন গৈছে।
মন গ'লে কিনো হ'ব,
ডাক্তৰেও বাধা দিব।
মুখৰ বাবে বৌ বিছনাত পৰি আছে।

**ৰশ্মি গগৈ, টেঙাখাত, ডিব্ৰুগড়**

১)

লিখিছিলো কবিতা বুলি হ'ল স্তবক,
সকলোৱে হাঁহে মোক কয় যে বুৰ্বক,
বুৰ্বক হ'লেও হলো,
কিবাটো এটা লিখিলো,
কোনেও নেলাগে কান্দিব সেই হাঁহক।

২)

সময়বোৰ যেন নাযায় নুপুৱায়,
আঁক বাঁক কৰোঁতে সময়বোৰ যায়,
পেঞ্চনাৰৰ জীৱন,
ৰস নাই আস্বাদন,
মোবাইলটো নহ'লে সময় নাযায়।

**উমা দেৱী**

ক)

ৰামুই ফটাজাল লৈ মাছ মাৰে বাৰে
জালত সোমোৱা মাছ তেনেই যে পৰে
হায় মোৰ যে কপাল
জাল কৰিলে দুফাল
আনৰ মাছ দেখি তাৰ চকুলো সৰে।

খ)

কান্দি কান্দি যে আহিছ কি হ'লনো তোৰ
মাছ ও নাই যে কি কৰিলে নেকি চুৰ
দিলি ত ই ফটাজাল
মাছবোৰৰ যমকাল
সব পানীত পৰে ভাগত নাই মোৰ।

**মামনি পাপৰি বৰুৱা বৰা, কলিয়াবৰ**

১)

চৌপাশৰ সেউজীয়াই মোক আবৰে
গছপুলি ৰুই ভাল পায় মনবৰে
খাবলৈ পাহৰে পাই
কি যে হ'ব থাকো চাই
সুন্দৰ কাম সেয়ে সকলোৱে সাদৰে।

২)

ফলৰ পুলিবোৰ উলাহেৰে ফুলিছে
কিছুমানৰ ফুলবোৰ আকৌ পৰিছে
তথাপি লাগিছে ফল
তাৰ মনত যে বল
ফল খাবলৈকে চৰাই বোৰ উৰিছে।

# ধৰিত্ৰীৰ দাহ আৰু গোলকীয় উষ্ণতা

**কুঞ্জিল হাজৰিকা,যোৰহাট, টীয়ক,ভগামুখ**



প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক অতি আদিম আৰু নিবিড়। কিন্তু আধুনিকতাৰ অন্ধ দৌৰ আৰু চৰম যান্ত্ৰিকতাই আজি সেই চিৰন্তন সম্পৰ্কৰ ওপৰত এক গভীৰ আঘাত হানিছে। সাম্প্ৰতিক সময়ত আমি সকলোৱে অনুভৱ কৰা আটাইতকৈ স্পৰ্শকাতৰ আৰু ভয়াৱহ সমস্যালৈ ৰূপান্তৰিত হৈছে গোলকীয় উষ্ণতা বৃদ্ধি আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অভূতপূৰ্ব প্ৰচণ্ড দাবদাহ। বতৰৰ এই অস্বাভাৱিক ৰুদ্ৰৰূপে কেৱল এটা ঋতুৰ সাময়িক পৰিৱৰ্তনক নুবুজায়, বৰঞ্চ ই বিপন্ন ধৰিত্ৰীৰ এক কৰুণ আৰ্তনাদহে প্ৰকাশ কৰিছে। মানুহে নিজৰ সুখ স্বাচ্ছন্দ্যৰ বাবে প্ৰকৃতিক ইমানেই শোষণ কৰিছে যে আজি সমগ্ৰ পৰিৱেশ তন্ত্ৰই নিজৰ স্বাভাৱিক ভাৰসাম্য হেৰুৱাই পেলাইছে।

পৃথিৱীৰ বুকুলৈ নামি অহা এই উত্তপ্ত সংকট কোনো আকস্মিক ঘটনা নহয়, ইয়াৰ আঁৰত আছে মানুহৰ অনিয়ন্ত্ৰিত আৰু অপৰিকল্পিত কাৰ্যকলাপ। উন্নয়নৰ দোহাই দি দিনে দিনে অৰণ্য ধ্বংস কৰি গঢ়ি তোলা হৈছে কংক্ৰিটৰ অট্টালিকা আৰু কল কাৰখানা। গছ-গছনি কাটি তহিলং কৰাৰ ফলত বতাহত কাৰ্বন-ডাই-অ'ইডৰ দৰে ক্ষতিকাৰক গেছৰ পৰিমাণ আশংকাজনকভাৱে বৃদ্ধি পাইছে। উদ্যোগীকৰণ, যানবাহনৰ পৰা নিৰ্গত ধোঁৱা আৰু আধুনিক বিলাসী সামগ্ৰী, যেনে শীততাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ অত্যাধিক ব্যৱহাৰে বায়ুমণ্ডলত সেউজগৃহ গেছৰ আৱৰণখন ক্ৰমান্বয়ে ঘন কৰি তুলিছে। ইয়াৰ ফলত সূৰ্যৰ তাপ ধৰাপৃষ্ঠৰ পৰা প্ৰতিফলিত হৈ মহাকাশলৈ উভতি যাব নোৱাৰি সমগ্ৰ পৃথিৱীখনক এখন উত্তপ্ত মৰুভূমিলৈ ৰূপান্তৰিত কৰিছে।

এসময়ৰ সুজলা সুফলা, চিৰসেউজ অসমৰ বতৰো এতিয়া পূৰ্বৰ দৰে শীতল হৈ থকা নাই। পাহাৰ ভৈয়ামৰ বনাঞ্চল ধ্বংস, নদীৰ স্বাভাৱিক গতিপথৰ পৰিৱৰ্তন আৰু জলবায়ুৰ বিলোপসাধনৰ বাবে আমাৰ ইয়াতেও এতিয়া গৰমৰ প্ৰকোপ অসহনীয় হৈ পৰিছে। সময়মতে বৰষুণ নোহোৱা হৈছে, যাৰ পোনপটীয়া প্ৰভাৱ পৰিছে কৃষি খণ্ডৰ ওপৰত। বাৰিষাৰ অনিয়মিত চৰিত্ৰ, খৰাং সদৃশ পৰিস্থিতি আৰু নদীসমূহৰ ক্ৰমশঃ শুকাই যোৱা ৰূপে সামগ্ৰিক জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। প্ৰকৃতিৰ এই অনাকাংক্ষিত ভাৰসাম্যহীনতাই কেৱল মানুহকে নহয়, বৰঞ্চ আমাৰ চহকী (আঠ পৃষ্ঠাত চাওক)

# কলাগুৰু - যুগৰ সিপাৰে জ্বলা এছাৰি জুই

**বৰষা ডেকা, বাইহাটা চাৰিআলি**



বিষ্ণুপ্ৰসাদ ৰাভা নামটো উচ্চাৰণ কৰিলেই অসমৰ আকাশত এজাক ৰঙা জুই জ্বলি উঠে। তেওঁ মাথোঁ এজন ব্যক্তি নাছিল, তেওঁ আছিল এটা সময়ৰ বুকুৰ ধপধপনি, এটা জাতিৰ সপোনৰ প্ৰতিধ্বনি। কবি, শিল্পী, গায়ক, নৃত্যশিল্পী, নাট্যকাৰ, চিত্ৰকৰ, ৰাজনীতিবিদ - এই সকলো পৰিচয়ৰ ভিৰৰ মাজতো তেওঁৰ আটাইতকৈ উজ্জ্বল পৰিচয়টো হ'ল 'কলাগুৰু'।

১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকাৰ বুকুত জন্ম লোৱা সেই শিশুটিৰ দেউতাক আছিল ব্ৰিটিছ চৰকাৰৰ উচ্চপদস্থ বিষয়া। সোণৰ চামুচ মুখত লৈ জন্মিও তেওঁ বাচি ল'লে কাঁইটীয়া বাট। কটন কলেজৰ বাৰাণ্ডা, কলিকতাৰ চেইণ্ট পল'চৰ শ্ৰেণীকোঠা - এইবোৰে তেওঁক বান্ধি ৰাখিব নোৱাৰিলে। কাৰণ তেওঁৰ হৃদয় পৰি ৰৈছিল অসমৰ পথাৰৰ বোকাত, পাহাৰৰ নিজানত, খেতিয়ক-বনুৱাৰ ঘামে তিতা মাটিত।

ৰাভাৰ শিল্প কেতিয়াও কাঁচৰ মহলত বন্দ হৈ থকা মনোৰঞ্জন নাছিল। তেওঁৰ গানৰ প্ৰতিটো সুৰত শোষিতৰ কান্দোন বাজিছিল, তেওঁৰ নৃত্যৰ প্ৰতিটো পদক্ষেপত শৃংখল ভঙাৰ আহ্বান আছিল। 'বিলতে হালিছে গুলমলিয়া ধান'ৰ দৰে গানবোৰ মাথোঁ কথা নাছিল, সেইবোৰ আছিল জুইৰ ফিৰিঙতি। তেওঁ বিহুক মাটিৰ পৰা তুলি আনি মঞ্চৰ পোহৰ দিলে, ভাওনাক নতুন ৰূপ দিলে, পাহাৰ-ভৈয়ামৰ সকলো সুৰকে একেটা মালাতে গাঁথি অসমীয়া সংস্কৃতিক এক নতুন পৰিচয় দিলে। তেওঁ বিশ্বাস কৰিছিল - শিল্পই সমাজ সলনি কৰিব পাৰে। সেইবাবেই জমিদাৰৰ পুত্ৰ হৈয়ো তেওঁ হৈ পৰিল হালোৱা-চহাৰ আটাইতকৈ আপোন বন্ধু। কমিউনিষ্ট আন্দোলনত জঁপিয়াই পৰি আত্মগোপন কৰিবলগীয়া হ'ল, জেলৰ অন্ধকাৰ কুঠৰীত দিন কটালে। তথাপি তেওঁৰ কণ্ঠ ৰুদ্ধ নহ'ল, বৰং সেই অন্ধকাৰে তেওঁৰ শিল্পক আৰু জ্যোতিৰ্ময় কৰি তুলিলে।

ৰাভাৰ চকুত মানুহৰ মাজত কোনো দেৱাল নাছিল। তেওঁ নগা পাহাৰত নগা ল'ৰাৰ লগত নাচিলে, মিচিং গাঁৱৰ জুপুৰিত বহি ঐনিতম গালে, চাহ বাগিচাৰ শ্ৰমিকৰ লগত ঝুমুৰৰ তালে তালে ভৰি মিলালে। গৌৰৱেৰে তেওঁ কৈছিল, "মই বিশ্ব-মানুহ।" তেওঁৰ শিল্পই অসমৰ সকলো জাতি-জনগোষ্ঠীক একেডাল এনাজৰীৰে বান্ধিব খুজিছিল - প্ৰেমৰ, সমতাৰ, মানৱতাৰ এনাজৰী। (বাৰপৃষ্ঠাত চাওক)

# তোমাৰ প্ৰেম



ৰুমী কলিতা দত্ত,২নং কেন্দুগুৰি, ধমন, ডিব্ৰুগড়

তোমাৰ সেউজীয়া প্ৰেমক চুই চাবলৈ
মোৰো আছে এটি মন
যদি হয় জীপাল জীৱন ।
তোমাৰ শব্দৰ ছন্দ লাগি
শিহৰিত হয় যৌৱন
তোমাৰ প্ৰেমে চকুত মায়া সানে
বাঁহীত ফুঁ দিলেই কলিজাত সাঁচ বহে
টুকুৰা-টুকুৰ হৃদয় যোৰা লাগে ।
এজাক পছোৱা হৈ
বুকুৰ খিৰিকীৰে প্ৰবেশ কৰিম
তোমাৰ মনৰ কুঠৰী,
হৃদয়ৰ ছবিখনত ৰং সিঁচিম
সেউজীয়া সপোনত নিজক বিলাই দিম।
চাই হেঁপাহ নপলোৱাকৈ
এখন ছবি আঁকিম।
প্ৰেম উন্মনা ফাগুন
প্ৰেম বিস্তীৰ্ণ মহাসাগৰ
প্ৰেম জোনাকৰ বৰষুণ
আৰু লঠঙা বিৰিখৰ কুঁহি।
তোমাৰ সেউজীয়া প্ৰেমে
দুন্দুভি বজাই.
মনৰ মাজত জোনাকে সাৰপাই.
শত সহস্ৰ আশাৰে আঁচলত মেৰিয়াই
হৃদয়ৰ বৰঘৰত প্ৰেমৰ বাগিচা সজাই
নিটোল শব্দৰ পৰশে মৌনতাৰে চুই যায় ।

# ধৰিত্ৰীৰ দাহ আৰু


জৈৱ-বৈচিত্ৰ্যকো এক তীব্ৰ সংকটৰ মুখলৈ ঠেলি দিছে।

এই গোলকীয় মহাবিপদৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কেৱল চিন্তা প্ৰকাশ কৰিয়েই ক্ষান্ত থাকিলে নহ'ব, বৰঞ্চ যুদ্ধকালীন তৎপৰতাৰে বাস্তৱসন্মত পদক্ষেপ ল'ব লাগিব। "এজোপাই প্ৰাণ, এজোপাই জীৱন" এই আপ্তবাক্যশাৰীক সাৰোগত কৰি ব্যক্তিগত আৰু সামাজিক পৰ্যায়ত ব্যাপক হাৰত গছ ৰোৱা আৰু তাক সযতনে প্ৰতিপালন কৰাৰ এক সৰ্বাত্মক আন্দোলন গঢ়ি তুলিব লাগিব। ইয়াৰ সমান্তৰালভাৱে, জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ যিমান পাৰি কমাই সৌৰশক্তি আৰু বায়ুশক্তিৰ দৰে নৱীকৰণযোগ্য শক্তিৰ চৰ্চা বৃদ্ধি কৰা উচিত। প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণ বৰ্জন কৰা, প্ৰাকৃতিক জলাশয়সমূহ সংৰক্ষণ কৰা আৰু যান্ত্ৰিক নিৰ্ভৰশীলতা কিছু পৰিমাণে হ্ৰাস কৰি প্ৰকৃতি অনুকূল জীৱনশৈলী গ্ৰহণ কৰাটো এতিয়া সময়ৰ আটাইতকৈ ডাঙৰ দাবী।

পৃথিৱীখন কেৱল বৰ্তমানৰ মানুহখিনিৰে নহয়, ই অনাগত প্ৰজন্মৰো একমাত্ৰ বাসস্থান। স্বাৰ্থপৰতা আৰু ক্ৰমবৰ্ধমান যান্ত্ৰিকতাৰ মোহ ত্যাগ কৰি আমি যদি এতিয়াও সাৰ নাপাওঁ, তেন্তে ভৱিষ্যতৰ ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰিব। ধৰিত্ৰীৰ এই দাহ প্ৰশমন কৰাৰ দায়িত্ব কেৱল চৰকাৰ বা কোনো নিৰ্দিষ্ট সংস্থাৰ নহয়, ই আমাৰ প্ৰত্যেকৰে এক নৈতিক আৰু অপৰিহাৰ্য কৰ্তব্য। সামূহিক আৰু সংকল্পবদ্ধ প্ৰচেষ্টাৰেহে আমি আকৌ এবাৰ এই ধৰাক সেউজীয়া, সুশৃংখল আৰু শীতল কৰি তুলিবলৈ সক্ষম হ'ম।

# ডিমেন্‌চিয়া, সামাজিক সচেতনতা আৰু সমাজৰ সহায়ত ঘৰুৱা পৰিচালনা

**যোৱাখণ্ডৰ পৰা..**



বৃষ্টি বৰগোহাঁই, সহকাৰী অধ্যাপিকা
সমাজ কৰ্ম অধ্যয়ণ কেন্দ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ব্যক্তিজনৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ সহায় কৰা- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰো আবেগ, অনুভূতিবিলাকৰ সন্মান কৰি তেওঁক যত্ন লওঁতে আঘাত প্ৰাপ্ত কথাৰে মানসিক কষ্ট দিব নালাগে।

সংঘাত বৰ্জন কৰিব লাগে- যিকোনো ধৰণৰ তৰ্কই ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তি আৰু যত্নলোৱা উভয়ৰে মাজত অপ্ৰয়োজনীয় মানসিক চাপ সৃষ্টি কৰে। ব্যক্তিজনৰ ভুল বা ব্যৰ্থতাক বিশেষভাৱে উত্থাপন নকৰি শান্ত আৰু সংযত বজাই ৰখাটো অতি প্ৰয়োজনীয়। খং বা উত্তেজনাই পৰিস্থিতিক অধিক জটিল কৰি তুলিব পাৰে। সদায় মনত ৰাখিব লাগিব- ই ব্যক্তিজনৰ দোষ নহয়, ই ৰোগৰ ফল।

কামসমূহ সহজ কৰি ভগাই দিব লাগে- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰ বাবে দৈনন্দিন কামসমূহ যিমান সম্ভৱ সহজ কৰি তোলাটো প্ৰয়োজনীয়। ৰোগৰ আৰম্ভণি পৰ্য্যায়ত ব্যক্তিজনে নিজেও কাপোৰ পিন্ধি লয়, ক্ৰমশঃ সহায়ৰ প্ৰযোজন হয়।

ব্যক্তিজনক যিমান পাৰি হাঁহি ফুৰ্তিৰে ৰাখক- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিজনৰ সৈতে হাহিঁ-ধেমালিৰ মুহূৰ্ত ভাগ-বতৰা কৰক। ব্যক্তিজনৰ লগত জড়িত যিকোনো হাহিঁৰ পৰা মুহুৰ্তবিলাকৰ কথা পাতি তেওঁক মানসিক চাপৰ পৰা বিৰত ৰাখিব লাগে।

ব্যক্তিজনৰ সুৰক্ষা নিতান্তই প্ৰয়োজনীয়- শাৰীৰিক ভাৰসাম্যতা আৰু স্মৃতিশক্তি হ্ৰাস পোৱাৰ ফলত আঘাত পোৱাৰ সম্ভাৱনা বৃদ্ধি পায়। সেয়েহে কটাৰী, চোকা বস্তু, টেবুলৰ জোঙা চুক বিলাকত আজিকালি বজাৰত পোৱা প্লাষ্টিকৰ ঢাকনি লগাব লাগে। উদাহৰণস্বৰূপে, চেণ্ডেল, স্নানাগাৰৰ পৰা ওলাওঁতে ব্যৱহাৰ কৰা মেট, বৈদ্যুতিক তাঁৰ, গেছ, গৰম পানীৰ পৰা সাধানতা অবলম্বন কৰিব লাগে।
যোগ সাধনা ও ব্যায়াম- নিয়মীয়া ব্যায়াম আক স্বাস্থ্যসচেতন জীৱনধাৰাই ব্যক্তিজনৰ শাৰীৰিক ও মানসিক ভাৰসাম্যতা বজাই ৰখাত অভূতপূৰ্ব অৱদান আগবঢ়ায়।

সুষম আহাৰ আৰু দাঁতৰ যত্ন- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিসকলৰ ক্ষেত্ৰত অপৰিপুষ্টি এক সাধাৰণ সমস্যা। কেতিয়াবা ব্যক্তিজনে আহাৰ গ্ৰহণ কৰিবলৈ পাহৰে বা আহাৰৰ প্ৰয়োজনীয়তাক অনুভৱ নকৰে। সুষম আহাৰ আৰু দাতঁ ও মুখৰ যত্নৰ বহুত প্ৰয়োজন হয়।
আমাৰ কৰণীয়
পৰিয়ালভিত্তিক কাউন্সেলিং (Family Counselling)- মনোৰোগ বিশেষজ্ঞৰ কাষ চাপি পৰিয়ালৰ মাজত ডিমেন চিয়াত আক্ৰান্ত ৰোগী থাকিলে দেখা পোৱ আবেগৰ চাপ (Emotional Stress), অন্তৰ্দ্বন্দ অনিশ্চয়তা আদিক সন্তোলন কৰাৰ প্ৰয়াস কৰিব লাগে। ছিউক-টাক্ চেং (২০১৯)ৰ এটি গৱেষণাত কৈছে যে Psychoeducational Counselling য়ে যত্ন লোৱা ব্যক্তিৰ বিমৰ্ষতা, চাপ, উৎকণ্ঠা, আবেগৰ তীব্ৰতাক ৰোধ কৰে।

সচেতনতা অভিযান-মনোৰোগ সমাজ কৰ্মীসকলে ডিমেন্‌চিয়াক লৈ সমাজত ভুলকৈ প্ৰচলিত হৈ থকা বিশ্বাসবিলাকক বিজ্ঞানসন্মতভাৱে বুজাই সমাজৰ নাগৰিকক দায়বদ্ধ কৰাৰ পাৰে। স্প্ৰিংগাৰ নেচাৰ (Springer Nature)ৰ ডিমেন্‌চিয়াৰ (Awareness Research) সজাগতামূলক গৱেষণাই দেখুৱাইছে যে সমাজ সজাগতাই ডিমেন্‌চিয়াক সোনকালে চিনাক্তকৰণ ও পৰিচালনা কৰাত সহায় কৰে।

যত্নগ্ৰহণকাৰীৰ সহায়- ডিমেন্‌চিয়া ৰোগত আক্ৰান্ত ৰোগীসকলৰ যত্নগ্ৰহণকাৰীৰ শাৰীৰিক, আৱেগিক অৰ্থনৈতিকভাৱে সমস্যা অত্যন্ত বেছি হোৱা দেখা পোৱা যায়। সুবেইৰ আৰু অন্যান্যসকলে (shubair et.all.)২০২৫ বৰ্ষত কৰা এক গৱেষণাই কৈছে যে, ডিমেন্‌চিয়াৰ সত্ন লোৱা সকলৰ মাজত আবেগিক হেঁচা (Emotional Strain) ৭১% আৰু অৰ্থনৈতিক হেচা (Financial strain) ৯৮% পৰ্যন্ত হোৱা দেখা যায়। যিযুন, ৱিন ও(Zhijun Yin et al.) অন্যান্যসকলে "Online peer support among Informal Dementia Caregiver" শীৰ্ষক গৱেষণাই দেখুৱাইছে "Peer Support Group" আৰু online Caregiver Network এ আৱেগিক অকলশৰীয়াক কমায় আৰু আলোচনাৰ মাধ্যমে কাৰীকৰি যত্ন লোৱাৰ পদ্ধতি ইজনে আনজনক প শিকিব পাৰে ।

কল্যাণমূলক আঁচনিৰ সৈতে সংযোগ- বহু পৰিয়ালে ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰ লগত হোৱা খৰচ বহন কৰিবলৈ অপাৰগ হয়। সমাজকৰ্মীসকলে চৰকাৰী আঁচনি, সুবিধাবিলাক সঠিক মাধ্যমৰ লগত সংযুক্ত কৰি দিব পাৰে।
ৰিহেবিলিটেচনৰ (Rehabilitation) ৰ পৰিকল্পনা ইয়াৰ ভিতৰত আছে Cognitive stimulation, ব্যৱহাৰ পৰিচালনা (Behavior Management), Occupational Therapy, ব্যায়াম, সমাজত বা সমাজৰ বিভিন্ন কৰ্মত অংশগ্ৰহণ, মনত ৰখাৰ পদ্ধতি (Memory Support Strategy)ইত্যাদি। CREST, ২০২৪ ৰ এটা গবেষণাই কৈছে যে Cognitive stimulation Therapy programme আৰু Structured group Programme য়ে আবেগ নিয়ন্ত্ৰণ আৰু সমাজৰ লগত হব লগা একাত্মতাক উন্নত কৰে।
সমাজ সক্ৰিয়কৰণ (Community Mobilisation)সমাজৰ (বাৰপৃষ্ঠাত চাওক)

# নীট-ইউজি পৰীক্ষাক লৈ কঠোৰ

এলানি নীতি-নিৰ্দেশনা বলৱৎ কৰাৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে এই পৰীক্ষাৰ বাবে ৰাজ্যৰ মুঠ ৪৩, ৩১৯গৰাকী পৰীক্ষাৰ্থীয়ে পঞ্জীয়ন কৰিছে। ৰাজ্যখনৰ ১৭খন জিলাত মুঠ ৮৭টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা সম্পূৰ্ণ মুক্ত, নিকা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক যৌথভাৱে সকলো পৰীক্ষা কেন্দ্ৰ পৰিদৰ্শন কৰি নিৰাপত্তা ব্যৱস্থা, আন্তঃগাঁথনিৰ প্ৰস্তুতি আৰু পৰীক্ষাৰ দিনটোৰ লজিষ্টিক ব্যৱস্থাৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি তেওঁ পৰীক্ষাৰ দিনটোৰ পূৰ্বেই সকলো কেন্দ্ৰতে চিচি টিভি ব্যৱস্থা, বায়'মেট্ৰিক সৰঞ্জাম আৰু ছিগনেল জামাৰৰ এক বাধ্যতামূলক কাৰিকৰী অ'ডিট আৰু ড্ৰাই ৰান সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সকলো পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ১৪৪ ধাৰা জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিষেধাজ্ঞাসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে পৰ্যাপ্ত প্ৰচাৰ চলাবলৈও তেওঁ নিৰ্দেশ দিয়ে, যাতে পৰীক্ষাৰ্থীৰ বাদে আন কোনো লোক পৰীক্ষা কেন্দ্ৰৰ ওচৰলৈ যাব নোৱাৰে। ইয়াৰ উপৰি তেওঁ সকলো পৰীক্ষা কেন্দ্ৰতে পৰ্যাপ্তসংখ্যক মহিলা আৰক্ষী মোতায়েন কৰাৰ নিৰ্দেশ দিয়ে। পৰীক্ষাৰ্থীৰ পৰীক্ষণ সম্পৰ্কে নেচনেল টেষ্টিং এজেঞ্চীৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ নিৰ্দেশ দিয়ে যে পৰীক্ষণ ব্যৱস্থা অতি দৃঢ়তাৰে, পেছাদাৰীভাৱে আৰু ভদ্ৰতাৰে কৰিব লাগিব, যাতে কোনোধৰণৰ অসৎ উপায় অৱলম্বনৰ চেষ্টাৰ বিৰুদ্ধে সৰ্বোচ্চ সতৰ্কতা অৱলম্বন কৰাৰ লগতে পৰীক্ষাৰ্থীসকলে কোনো ধৰণৰ অসুবিধা বা অস্বস্তিৰ সন্মুখীন হ'বলগীয়া নহয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই চিচি টিভি নিৰীক্ষণৰ বাবে প্ৰতিখন জিলাতে এজন ন'ডেল অফিচাৰ নিযুক্তি দিবলৈ আৰু নিয়মীয়াকৈ চিচি টিভি ফুটেজৰ আকস্মিক পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰশ্নকাকতৰ নিৰাপত্তা সন্দৰ্ভত তেওঁ নিৰ্দেশ দিয়ে যে প্ৰশ্নকাকত জমা থকা বেংকৰ ল'কাৰসমূহৰ ব্যৱহাৰ কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিব লাগিব। তেওঁ কয় যে কোনো ব্যক্তিক কেৱল অত্যন্ত জৰুৰী পৰিস্থিতিত আৰু জিলা দণ্ডাধীশৰ পূৰ্ব অনুমোদনসাপেক্ষেহে ল'কাৰ গৃহত প্ৰৱেশৰ অনুমতি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ উপৰি তেনে ল'কাৰসমূহৰ নিৰাপত্তা আৰু নিৰীক্ষণৰ বাবে প্ৰতিখন জিলাতে উপ-আৰক্ষী অধীক্ষক পৰ্যায়ৰ বিষয়াক দায়িত্ব অৰ্পণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ বিষয়াসকলে অৱগত কৰে যে চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হ'ব আৰু এই কেন্দ্ৰ ১৯ জুনৰ পৰা কাৰ্যক্ষম হৈ থাকিব। পৰীক্ষাৰ দিনা পৰীক্ষাৰ্থীসকলৰ যাতায়াত সহজ কৰি তুলিবলৈ বৈধ এডমিট কাৰ্ড দেখুৱালে অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছত বিনামূলীয়া যাতায়াতৰ সুবিধা প্ৰদান কৰা হ'ব। এই পৰ্যালোচনা বৈঠকত মুখ্য সচিব ড° ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব (গৃহ) অজয় তিৱাৰী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী, বিশেষ ডিজিপি মুন্না প্ৰসাদ গুপ্তা, বিশেষ এডিজিপি (এছ বি) হীৰেন নাথ, আইজিপি (আইন-শৃংখলা) অখিলেশ সিং, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত তথা সচিব ড° সিদ্ধাৰ্থ সিং আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। নেচনেল টেষ্টিং এজেঞ্চীৰ মহানিৰ্দেশক অভিষেক সিঙে ভিডিঅ' কনফাৰেঞ্চৰ জৰিয়তে বৈঠকত অংশগ্ৰহণ কৰে।

# অম্বুবাচী মহাযোগত ৮ লাখতকৈ

সম্পন্ন হয় তাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগ, মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়, উত্তৰ-পূব সীমান্ত ৰে'লৱে, পৰ্যটন বিভাগ, অসম পৰ্যটন উন্নয়ন নিগম, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, লোকনিৰ্মাণ বিভাগ আদি প্ৰায়কেইটা বিভাগেই পৰ্যাপ্ত সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছে। পৰ্যটক তথা ভক্তসকলৰ জিৰণি, প্ৰাথমিক চিকিৎসা প্ৰদান, খোৱাপানীৰ ব্যৱস্থা আদিৰ কাৰণে ৰাস্তাৰ কাষত এশ মিটাৰ দূৰে দূৰে কাঠৰ মজিয়া দি শিবিৰ স্থাপন কৰা হৈছে। মন্দিৰ চৌহদৰ লগতে সমগ্ৰ অঞ্চলত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰা হৈছে। ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ কাৰণে ভলন্টিয়াৰৰ ব্যৱস্থা কৰাৰ লগতে বেৰিকেড স্থাপন কৰা হৈছে। জ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম নাগৰিকৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মন্ত্ৰী অজন্তা নেওগে সংবাদ মেলত আৰু কয় যে মন্দিৰলৈ যোৱা পথসমূহত অৰ্থাৎ কামাখ্যাৰ পাদদেশৰ পৰা কামাখ্যালৈ কাৰ্পেটিঙৰ ব্যৱস্থা কৰা হৈছে। ভক্তৰ সুবিধাৰ কাৰণে ৰাজহুৱা ঘোষণা ব্যৱস্থা স্থাপন কৰা হৈছে। নেওগে লগতে কয় যে ভক্তৰ সুবিধাৰ কাৰণে ষ্ট্ৰেচাৰ আৰু হুইলচেয়াৰৰ ব্যৱস্থা কৰা হৈছে। কামাখ্যা মন্দিৰ চৌহদৰ লগতে ইয়াৰ কাষৰীয়া অঞ্চলসমূহত যাতে পৰিষ্কাৰ-পৰিচ্ছন্নতা থাকে তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হৈছে। ভক্তৰ বাবে পেৰামেডিকেল দলৰ লগতে প্ৰাথমিক চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত পৰ্যাপ্ত ব্যৱস্থা লোৱা হৈছে। ভক্তৰ বাবে তৈয়াৰ কৰা খাদ্যৰ গুণগত মান নিৰূপণৰ বাবে খাদ্য সুৰক্ষা বিভাগৰ বিষয়াই খাদ্য পৰীক্ষাত গুৰুত্ব দিব। মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰি কয় যে বিগত দুই বছৰত ৰাজ্যলৈ প্ৰায় ৮৪.৬ লাখ পৰ্যটকৰ আগমন ঘটিছিল। ইয়াৰে ৪২ হাজাৰ আছিল বিদেশী পৰ্যটক। বিগত মহা অম্বুবাচী মেলালৈ ৭ লাখ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত অম্বুবাচী মেলালৈ ৮ লক্ষাধিক দেশী-বিদেশী পৰ্যটক অহাৰ আশা প্ৰকাশ কৰে। ইফালে মহা অম্বুবাচী মেলা উপলক্ষে যান-বাহন আৰক্ষীয়েও এক সংবাদ মেল সম্বোধন কৰে। যান-বাহন শাখাৰ ডিচিপি জয়ন্ত সাৰথি বৰাই অম্বুবাচী মেলাৰ দিনকেইটাত মহানগৰীত চলি থকা বাহন কেনেদৰে চলাচল কৰিব তাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তেওঁ কয় যে নীলাচল পাহাৰৰ পাদদেশৰ নাৰ্ছাৰী পইণ্টৰ পৰা মন্দিৰলৈ যোৱা পইণ্টটোত জৰুৰীকালীন সেৱা আৰু বিএমচিৰ পানী কঢ়িওৱা বাহন আৰু জাৱৰ নিষ্কাশন কৰা বাহনৰ বাহিৰে সকলো বাহনৰ চলাচল বাৰণ কৰা হৈছে। পাণ্ডু বন্দৰৰ পৰা মন্দিৰলৈ জিলা প্ৰশাসনে ব্যৱস্থা কৰা অনুমোদিত বাহনৰ বাহিৰে আন বাহন চলাচল কৰিব নোৱাৰিব। মন্দিৰৰ আশে-পাশে থকা সমগ্ৰ অঞ্চলটোত ন' পাকিং জ'ন হৈ থাকিব। উৰণ সেতুত ৰাজহুৱা বাছৰ চলাচলৰ অনুমতি থাকিলেও দলঙৰ তলৰ ছাৰ্ভিচ ৰোডেৰে ভক্তক মন্দিৰলৈ যাবলৈ দিয়া নহ'ব। আনহাতে কঠোৰ নিৰাপত্তা আৰু মাদকদ্ৰব্য ৰোধৰ সম্পৰ্কে গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত তথা সচিব দিগন্ত বৰাই কয় যে ভক্তৰ সোঁত নিয়ন্ত্ৰণৰ বাবে পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজাৰ ভিতৰত মন্দিৰ ভ্ৰমণত নিয়ন্ত্ৰণ থাকিব। মহা অম্বুবাচী মেলাৰ আধ্যাত্মিকতা ৰক্ষাৰ বাবে কৰ্তৃপক্ষ প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰি তেওঁ মন্দিৰ চৌহদলৈ নিচাযুক্ত দ্ৰব্য কঢ়িয়াই নিয়া বা সেৱন কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে। আয়ুক্ত সচিব বৰাই অম্বুবাচী মেলাৰ সময়ত চেণ্ডেল, জোতা পৰিধান কৰি কোনো ভক্তকে কামাখ্যা মন্দিৰলৈ নাযাবলৈ আহ্বান জনায় । আয়ুক্ত সচিব বৰাই কয়, মন্দিৰ চৌহদত কোনো জোতা, চেণ্ডেল ৰখাৰ ব্যৱস্থা নাই । গতিকে মেলাৰ বাবে অহা ভক্তসকলৰ বাবে প্ৰশাসন আৰু মন্দিৰ পৰিচালনা সমিতিয়ে নামনিতে জোতা, চেণ্ডেল আদি ৰখাৰ ব্যৱস্থা কৰিব ।

# অসম বিধানসভাৰ

উল্লেখ্য যে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাৱে টেৰণৰ নাম উপাধ্যক্ষ পদৰ প্ৰাৰ্থীৰূপে ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত এই সন্দৰ্ভত এইবুলি উল্লেখ কৰিছে- ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছোঁ যে অসম বিধানসভাৰ উপাধ্যক্ষ পদৰ বাবে আমাৰ প্ৰাৰ্থী হ'ব আমৰি (অনুসূচিত জনজাতি) পাৰ্বত্যৰ বিধায়ক ডাঃ হাৱে টেৰণ। এজন চিকিৎসা পেছাদাৰী আৰু নৱগঠিত আমৰি সমষ্টিৰ প্ৰথম নিৰ্বাচিত প্ৰতিনিধি ডাঃ টেৰণে আমাৰ জনজাতীয় সম্প্ৰদায়ৰ আকাংক্ষাক প্ৰতিনিধিত্ব কৰাৰ লগতে বিধানসভাত কাৰ্বি আংলং আৰু ডিমা হাছাওৰ কণ্ঠস্বৰক অধিক শক্তিশালী কৰিব।

# ভাৰতক কোনোবাই

বা চুক্তিৰ আলোচনাত আটাইতকৈ কঠিন মানুহ। মানুহে ভাবে তেওঁ বৰ শান্ত-শিষ্ট, কিন্তু তেওঁ ইমানেই কঠোৰ যে সকলোকে আচৰিত কৰি দিয়ে। ইয়াৰ পূৰ্বে জি-৭ৰ মধ্যাহ্ন ভোজনৰ সময়তো মোদীৰ প্ৰশংসাত গদগদ হৈ পৰিছিল ৰাষ্ট্ৰপতি ট্ৰাম্প। তেওঁ কয়, 'প্ৰধানমন্ত্ৰী মোদী যিদৰে শান্ত, স্থিৰ আৰু অতি দক্ষ, মই কিন্তু তেনে নহয়। আপোনালোকে মোৰ ফালে নহয়, তেওঁৰ ফালেহে চাওঁক।' বিশেষজ্ঞ সকলৰ মতে, দুয়োখন দেশৰ মাজত চলি থকা ব্যৱসায়িক শুল্ক যুদ্ধ আৰু আন কেতবোৰ স্পৰ্শকাতৰ বিষয় তল পেলাবলৈকে ট্ৰাম্পে মোদীক প্ৰশংসা কৰি এক কূটনৈতিক কৌশল অৱলম্বন কৰিছে। মধ্যপ্ৰাচ্যৰ শান্তি প্ৰক্ৰিয়াত ভাৰতৰ ভূমিকা আশা কৰে নেকি বুলি সাংবাদিকে ট্ৰাম্পক সোধাত তেওঁ লগে লগে আশা কৰোঁ বুলি উত্তৰ দিয়ে। তেওঁৰ মতে, ভাৰতে সকলো কথাতে বৃহৎ ভূমিকা পালন কৰে। যেতিয়ালৈকে মোদী ভাৰতৰ নেতা হৈ থাকিব, তেতিয়ালৈকে ভাৰতৰ ভূমিকা সদায় ওপৰত থাকিব। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে হৰমুজ প্ৰণালী আৰু ওমান উপ-সাগৰীয় অঞ্চলৰ সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয় যে বিশ্বৰ অৰ্থনীতি ঠিক ৰাখিবলৈ হ'লে হৰমুজ প্ৰণালীৰে ব্যৱসায়িক জাহাজৰ চলাচল সদায় মুক্ত ৰাখিব লাগিব। ভাৰতীয় নাৱিকসকলৰ নিৰাপত্তাৰ বিষয়টো গুৰুত্বসহকাৰে তুলি ধৰি মোদীয়ে কয়, সাগৰীয় বাণিজ্য পথত কাম কৰা নাৱিকসকলৰ সুৰক্ষা নিশ্চিত কৰাটো সকলোৰে দায়িত্ব। ইৰানৰ সৈতে আমেৰিকাই কৰিবলগীয়া যিকোনো চুক্তিতে যাতে নাৱিকসকলৰ সুৰক্ষাক প্ৰাধান্য দিয়ে তাৰ বাবে ট্ৰাম্পক মোদীয়ে আহ্বান জনায়। ৰাজনৈতিক ক্ষেত্ৰৰ উপৰি মোদী-ট্ৰাম্পৰ বৈঠকক লৈ ব্যৱসায়িক মহলতো বৃহৎ আশাৰ ৰেঙনি দেখিবলৈ পোৱা গৈছে। ট্ৰাম্পে নিজেই কয় যে ভাৰত আৰু আমেৰিকাই বৰ্তমান কেইবাটাও গুৰুত্বপূৰ্ণ ব্যৱসায়িক চুক্তিৰ ওপৰত কাম কৰি আছে। বৰ্তমান আমেৰিকা হৈছে ভাৰতীয় সামগ্ৰীৰ আটাইতকৈ ডাঙৰ বজাৰ। ২০০২-০৩ চনৰ ১০.৯ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা ২০২৫-২৬ বৰ্ষত ৮৭.২ বিলিয়ন মাৰ্কিন ডলাৰ হৈছেগৈ। আনহাতে ভাৰতেও আমেৰিকাৰ পৰা খাৰুৱা তেলৰ আমদানি ৪ বিলিয়নৰ পৰা ৫২.৯ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰিছে। জি-৭ৰ সমান্তৰালভাৱে ট্ৰাম্প-মোদীৰ এই বৈদেশিক বৈঠকে সমগ্ৰ বিশ্বৰ বাণিজ্যত মধ্যপ্ৰাচ্যৰ শান্তি আৰু প্ৰতিৰক্ষা ব্যৱস্থাৰ দিশ সলনি কৰাৰ স্পষ্ট সংকেত দিছে। বৈঠকৰ সময়ত ট্ৰাম্পে পুনৰ ভাৰত ভ্ৰমণৰ ইচ্ছা প্ৰকাশ কৰে আৰু কয়, 'মই অচিৰেই ভাৰত ভ্ৰমণ কৰিম।' তেওঁৰ ভাৰত ভ্ৰমণৰ সময়তে দুয়োখন দেশৰ মাজত বাণিজ্য চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে।

# মোদী চৰকাৰৰ ১২

অনুভৱ কৰোঁ সেই মহানসকলৰ পৰম ত্যাগক। কৃতজ্ঞ হৈ ৰওঁ বাৰে বাৰে তেওঁলোকৰ অৱদান স্মৰণ কৰি। এই পৰিসৰতেই আয়োজিত এক বিশেষ তিনিদিনীয়া প্ৰদৰ্শনীলৈ গৈ মহান শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদনৰ লগতে প্ৰদৰ্শনীখন চাই আপ্লুত হ'লোঁ। উল্লেখ্য যে কালি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এই প্ৰদৰ্শনীখন আনুষ্ঠানিকভাৱে মুকলি কৰিছিল। মুখ্যতঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ জনসাধাৰণৰ বাবে আগবঢ়োৱা মৰমৰ বাবেই তেওঁৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি অনুষ্ঠিত কৰা প্ৰদৰ্শনীখন আজি মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰাৰ সময়ত তেওঁক সংগ দিয়ে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিৰ লগতে বিধায়ক বিজয় কুমাৰ গুপ্তা আৰু দলীয় সতীৰ্থসকলে।

# ডিব্ৰুগড়ত অসম সাহিত্য

পৱন গাৰোডিয়াই বিষ্ণু প্ৰাসাদ ৰাভাৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। ৰামধেনু শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি ৰত্নেশ্বৰ ফুকন, সহকাৰী সম্পাদক বিমল চন্দ্ৰ দত্ত, শাখা সাহিত্য সভাৰ সম্পাদক অনিল প্ৰসাদ সিংহ, সদস্য ৰঞ্জিত মেছ, ৰামধেনু শতদল শাখা সাহিত্য সভাৰ আজীৱন সভ্য মীন বিভাগৰ যুটীয়া সঞ্চালক মনিৰুদ্দিন আহমেদ, ৰামধেনু শতদল শাখা সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি লাভ কৰা মহেশ্বৰ তেলি, নোমল মেচ, দিজুল শইকীয়া, সহ: শিক্ষয়িত্ৰী বিভা চেতিয়া, প্ৰধান শিক্ষয়িত্ৰী মৃনালি বুঢ়াগোহাঁই, কল্পনা শইকীয়া, আজীৱন সভ্য, গাওঁ প্ৰধান বিশ্বজিৎ মেছ, আজীৱন সভ্য ভুপেন ফুকন, শতদল শাখা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক এম হাছিম আলী, আদিয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক শ্ৰদ্ধাৰে সোঁৱৰে।

# শ্বিলঙত বিত্তমন্ত্ৰী

শৰ্মাই কয়- বৰ্তমান অসমৰ বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ অধীনত প্ৰায় ৫৩, ০০০ কোটি টকাৰ প্ৰকল্প ৰূপায়ণ হৈ আছে। বৃহৎ সেতু নিৰ্মাণ, মথাউৰি শক্তিশালীকৰণ, স্বাস্থ্য আন্তঃগাঁথনি, বিদ্যুৎ সংবহন আৰু বিতৰণ ব্যৱস্থা, অত্যাধুনিক প্ৰযুক্তি আৰু ৰবটিক্স আদিকে ধৰি বহু গুৰুত্বপূৰ্ণ খণ্ডত এই পুঁজি বিনিয়োগ কৰা হৈছে। আৰ্থিক সহায়তাৰ উপৰি বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে চৰকাৰী ব্যৱস্থাপনাত উন্নত প্ৰকল্প পৰিচালনা কৌশল, গোলকীয় অভিজ্ঞতা আদি সংযোজন ঘটাই দক্ষতা, স্বচ্ছতা আৰু সেৱা প্ৰদানৰ মান উন্নত কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অসম আৰু উত্তৰ-পূৰৱ ৰাজ্যসমূহৰ হৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীক বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত ৰাজ্যসমূহক অধিক পৰিসৰত সুবিধা দিবলৈ আহ্বান জনায়। আলোচনা-চক্ৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ উপস্থিতি আৰু দিক্ নিৰ্দেশনাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই কৃতজ্ঞতা প্ৰকাশ কৰে। এই প্ৰসংগত তেওঁ কয়- উত্তৰ-পূৰৱৰ মুখ্যমন্ত্ৰী আৰু অন্যান্য অংশীদাৰসকলৰ উপস্থিতিত অনুষ্ঠিত এই আলোচনা-চক্ৰই অভিজ্ঞতাৰ আদান-প্ৰদান, সমন্বিত পৰিকল্পনা আৰু আন্তঃৰাজ্যিক সহযোগিতা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক মূল্যৱান মঞ্চৰ ভূমিকা পালন কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ আৰু উত্তৰ-পূৰৱ সকলো ৰাজ্যৰ নেতৃত্বই প্ৰদৰ্শন কৰা সমন্বিত দায়বদ্ধতাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবক দেশৰ অৰ্থনৈতিক বিকাশৰ এক মুখ্য চালিকাশক্তি হিচাপে গঢ়ি তোলাৰ দৃঢ় সংকল্পক প্ৰতিফলন কৰিছে। এই অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, মিজোৰামৰ মুখ্যমন্ত্ৰী পি ইউ লালডুহোমা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী ড° নেইফিউ ৰিও', ছিকিমৰ মুখ্যমন্ত্ৰী পি এছ গোলে, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহা, অসমৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ উপৰি বিশ্বেবেংকৰ দক্ষিণ এছিয়া মণ্ডলৰ উপাধ্যক্ষ জোহানেছ জুট, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল, বহুপাক্ষিক উন্নয়ন সংস্থাসমূহৰ প্ৰতিনিধি আৰু উত্তৰ-পূৰৱ বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# বন্ধ নহয় ৩০তকৈ কম

দৰাচলতে এনে বিদ্যালয়সমূহ জৰীপ কৰিবলৈহে দিয়া হৈছে। ৩০জনতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহত জৰীপ চলাই কোনসমূহ বিদ্যালয় বহনক্ষম আৰু বহনক্ষম নহয় তাক জৰীপৰ জৰিয়তে বাছি উলিওৱা হ'ব। আনহাতে ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যদি ৩০ জনতকৈ কম শিক্ষাৰ্থী থকা তিনিখন প্ৰাথমিক বিদ্যালয় আছে, তেন্তে ইয়াক একত্ৰীকৰণ কৰিব লাগিব। গতিকে ৩০জনতকৈ কম শিক্ষাৰ্থী থকা প্ৰতিখন প্ৰাথমিক বিদ্যালয় বন্ধ নহয়। ইয়াৰে ভিতৰত যিসমূহ বিদ্যালয় একত্ৰীকৰণৰ প্ৰয়োজন, তেনে বিদ্যালয়হে আন বিদ্যালয়ৰ সৈতে একত্ৰীকৰণ কৰা হ'ব। এটা কেম্পাছৰ ভিতৰতে দুখনকৈ চলি থকা বিদ্যালয়, ২০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা দুখনকৈ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণ কৰা হ'ব। কিন্তু এই পৰিসীমাৰ ভিতৰত যদি এখনেই বিদ্যালয় থাকে তাক তুলি নি আন বিদ্যালয়ৰ সৈতে একত্ৰীকৰণ কৰা নহয়। ইয়াৰ পৰিৱৰ্তে বিদ্যালয়খনৰ বহনক্ষম ক্ষমতা বৃদ্ধি কৰা হ'ব। ইফালে পাহাৰত থকা শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে সুখবৰ প্ৰকাশ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে পাহাৰত শিক্ষকতা কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে নিৰ্মাণ কৰা হ'ব কোৱাৰ্টাৰ বা হোষ্টেল। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে কামৰূপ (মহানগৰ) জিলাৰ অন্তৰ্গত বহু অঞ্চল পাহাৰীয়া আৰু দুৰ্গম। এই অঞ্চলত মূলতঃ কাৰ্বি লোকসকলে বসবাস কৰে। ইয়াত থকা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকৰো বহু সমস্যা আছে। বিশেষকৈ বহু শিক্ষকে দুৰ্গম অঞ্চললৈ আহিবলগা হোৱা হেতুকে বিদ্যালয়লৈ নাহে। এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক-শিক্ষয়িত্ৰী গাঁওসমূহত থাকি বিদ্যালয়ত শিক্ষকতা কৰাৰ সুবিধা গঢ়ি তুলিবলৈ হোষ্টেল অথবা কোৱাৰ্টাৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত শিক্ষাৰ্থীসকল শিক্ষকৰ পৰা বঞ্চিত হ'বলগা নহয়। ইয়াৰ বাবে নৱগঠিত উন্নয়ন পৰিষদসমূহে বিশেষ ব্যৱস্থা ল'ব লাগে বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

# ইৰানে পুনৰ বন্ধ কৰি দিলে

কৰাৰ অভিযোগ তুলি এই সিদ্ধান্ত লোৱা হৈছে। ইৰানৰ সামৰিক কাৰ্যকলাপৰ সমন্বয়ক হিচাপে কাম কৰা খটম আল-আনবিয়াৰ মুখ্য কাৰ্যালয়ৰ পৰা এই ঘোষণা কৰা হৈছে। চলিত সপ্তাহৰ প্ৰথমভাগতে স্বাক্ষৰিত হোৱা বুজাবুজিৰ চুক্তিৰ চৰ্ত মাৰ্কিন যুক্তৰাষ্ট্ৰই উলংঘা কৰা আৰু দক্ষিণ লেবাননত ইজৰাইলে চলোৱা সামৰিক অভিযানৰ পোনপটীয়া প্ৰতিক্ৰিয়া হিচাপে এই পদক্ষেপ লোৱা হৈছে বুলি সামৰিক কমাণ্ডে উল্লেখ কৰিছে। এই আগ্ৰাসন যদিহে অব্যাহত থাকে তেন্তে তাৰ পৰৱৰ্তী পদক্ষেপ অন্য ধৰণে লোৱা হ'ব বুলি সকীয়নি দি সেনাৰ মুখ্য কাৰ্যালয়ে কয় যে হৰমুজ প্ৰণালী বন্ধ কৰাটো ইয়াৰ প্ৰথম পদক্ষেপহে। বুজাবুজি চুক্তি অনুসৰি হৰমুজ প্ৰণালী খুলি দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল যদিও শনিবাৰে ইৰানে পুনৰ ইয়াক বন্ধ কৰাৰ সিদ্ধান্ত লয়। আমেৰিকাৰ সৈতে ইৰানৰ চুক্তি নামানি লেবাননৰ দক্ষিণ অঞ্চলত হিজবুল্লাক লক্ষ্য কৰি একেৰাহে আক্ৰমণ চলাই আছে ইজৰাইলে। লেবাননৰ স্থানীয় সংবাদ মাধ্যমৰ বাতৰি মতে এই আক্ৰমণত প্ৰাণ হেৰুৱাইছে বহুজন লোকে। কমেও ২০টা অঞ্চলত আক্ৰমণ চলোৱা হৈছে। তাৰ পিছতে ইৰানে স্পষ্টকৈ জনাই দিছে যে শত্ৰুপক্ষক প্ৰত্যুত্তৰ দিবলৈকে বন্ধ কৰি দিয়া হৈছে হৰমুজ প্ৰণালী। ইৰানৰ নৌবাহিনীয়েও এই পদক্ষেপৰ বাবে লেবাননত ইজৰাইলৰ আক্ৰমণকে দায়ী কৰিছে। ৱাশ্বিংটনৰ তৰফৰ পৰা জনোৱা হৈছিল যে ইৰানৰ সৈতে শান্তি চুক্তিৰ চৰ্তৰ অংশ হিচাপে শুক্ৰবাৰে বিয়লি ৪ বজাৰ পৰা (স্থানীয় সময়) ইজৰাইল আৰু হিজবুল্লাৰ মাজত যুদ্ধবিৰতি কাৰ্যকৰী হৈছে। ইজৰাইল চৰকাৰ আৰু হিজবুল্লায়ো তাত সন্মতি জনাইছে। কিন্তু নিশাৰ ভাগলৈ ইজৰাইলী প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যেহুৰ বাহিনীয়ে দক্ষিণ লেবাননৰ বিভিন্ন এলেকাত স্থলপথেৰে আক্ৰমণ চলায়। শনিবাৰে নিচেই পুৱাতে নাবাতিয়েহ এলেকাৰ অসামৰিক বসতি অঞ্চলত চলোৱা হয় ড্ৰোন আক্ৰমণ। লেবাননত ইজৰাইলৰ এই আক্ৰমণক ইতিমধ্যে সমালোচনা কৰিছে আমেৰিকাই। ইৰানৰ সামৰিক বিষয়াই এক বিবৃতিত অভিযোগ কৰিছে যে আমেৰিকাই চুক্তিৰ প্ৰথম দফা ৰূপায়ণত ব্যৰ্থ হৈছে। এই দফাত সামৰিক অভিযান তাৎক্ষণিকভাৱে বন্ধ কৰাৰ প্ৰয়োজনীয়তাৰ কথা কোৱা হৈছিল। ইৰানী বিষয়াসকলে লগতে কয় যে চুক্তিৰ প্ৰতিশ্ৰুতিসমূহ বাৰে বাৰে ভংগ কৰাৰ বিৰুদ্ধে প্ৰতিৰক্ষামূলক ব্যৱস্থা হিচাপে হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। এনে পৰিস্থিতিত সদ্য স্বাক্ষৰিত আমেৰিকা-ইৰান শান্তি চুক্তিৰ স্থায়িত্ব সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে।

# মিৰ্জাত ফুটবল বিপ্লৱ, উদীয়মান

প্ৰতিম দাসৰ ঘৰখনত ফুটবলৰ এক চহকী পৰিৱেশ আগৰে পৰাই বিৰাজমান আছিল। তেওঁৰ বৰদেউতাক প্ৰয়াত ৰজত চন্দ্ৰ দাসৰ হাতধৰিয়েই পৰিয়ালটোত ফুটবলৰ এই পৰিৱেশৰ শুভাৰম্ভণি হৈছিল। পৰৱৰ্তী সময়ত তেওঁৰ ককায়েক কৈলাশ দাসে এজন জনপ্ৰিয় ফুটবলাৰ হিচাপে নিজক প্ৰতিষ্ঠা কৰে আৰু ফুটবলৰ জৰিয়তেই অসম পুলিচত চাকৰি লাভ কৰিবলৈ সক্ষম হয়। তেওঁলোকৰে পদাংক অনুসৰণ কৰি মানস প্ৰতিম দাসে সমনীয়াৰ সৈতে স্থানীয় মিৰ্জা জামৰতলৰ খেলপথাৰত ফুটবল খেলি ক্ৰীড়া জীৱন আৰম্ভ কৰিছিল। ২০০৬ চনত দক্ষিণ কামৰূপত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত অংশ লোৱাৰ পিছত, ২০০৮ চনত তেওঁ দৰং জিলাত অনুষ্ঠিত দেউকণ সোঁৱৰণী আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতাত নিজৰ দক্ষতা প্ৰদৰ্শন কৰে। ২০১০ চনত মানস প্ৰতিম দাস গুৱাহাটী টাউন ক্লাব ফুটবল একাডেমীলৈ নিৰ্বাচিত হয় আৰু তাতে ফুটবলৰ উচ্চমানৰ প্ৰশিক্ষণ লাভ কৰে। ২০১১-১২ বৰ্ষত তেওঁ চতুৰ্থ ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰামীণ টুৰ্ণামেণ্ট আৰু বিখ্যাত 'মানচেষ্টাৰ ইউনাইটেড প্ৰিমিয়াৰ কাপ'ত অংশগ্ৰহণ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনে। টাউন ক্লাবৰ হৈ খেলি তেওঁ তেজপুৰৰ ডুগৰ শ্বিল্ড, মঙলদৈৰ অম্বা মেধি কাপ, ওডালগুৰিৰ বড়োলেণ্ড গ'ল্ড কাপ আৰু ২০১৬ চনত ঐতিহ্যমণ্ডিত বৰদলৈ ট্ৰফীত প্ৰতিনিধিত্ব কৰে। ২০১৯ চনত তেওঁ এফ.চি. গ্ৰীণভেলী (গুৱাহাটী)ৰ হৈয়ো খেলপথাৰ কঁপায়। ইয়াৰোপৰি ডিব্ৰুগড়ৰ এন. এল. বি. চিটি কলেজৰ হৈ খেলি তেওঁ তিনিবাৰকৈ আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত বিজয়ী দলৰ সদস্য হোৱাৰ গৌৰৱ অৰ্জন কৰে। খেলুৱৈ জীৱনৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ পিছত, বৰ্তমান সময়ত মানস প্ৰতিম দাসে নিজকে এগৰাকী উচ্চ অৰ্হতাসম্পন্ন প্ৰশিক্ষক হিচাপে গঢ়ি তুলিছে। তেওঁ বৰ্তমান AIFF BLUE CUBS LEVEL-১, AIFF - D, আৰু এছিয়ান ফুটবল কনফেডাৰেচনৰ AFC-C লাইচেন্সপ্ৰাপ্ত এগৰাকী দক্ষ প্ৰশিক্ষক। তেওঁৰ এই বিশ্বমানৰ অভিজ্ঞতা এতিয়া মিৰ্জা অঞ্চলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মাজত ভগাই দিয়াৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছে। মিৰ্জাত ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন মানসৰ, প্ৰশিক্ষণ কেন্দ্ৰটোৰে কেৱল খেলপথাৰৰ কৌশলেই শিকোৱা নহয়, বৰঞ্চ ল'ৰা-ছোৱালীৰ সামগ্ৰিক শাৰীৰিক আৰু মানসিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই প্ৰশিক্ষণ কেন্দ্ৰটোৰত ৬ ৰ পৰা ১৮ বছৰৰ বয়সৰ ল'ৰা-ছোৱালীক প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ দিন হৈছে প্ৰতি মঙলবাৰ, বৃহস্পতিবাৰ, শনিবাৰ আৰু দেওবাৰ। শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে ৰাতিপুৱা আৰু সন্ধিয়া-দুয়োটা সময়তে পৃথক বেটচৰ ব্যৱস্থা আছে।২০২৬ বৰ্ষৰ বাবে নামভৰ্তি প্ৰক্ৰিয়া বৰ্তমান মুকলি হৈ আছে। মিৰ্জা আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ যিসকল অভিভাৱকে নিজৰ সন্তানক ফুটবলৰ এক প্ৰফেচনেল পৰিৱেশত গঢ়ি তুলিব বিচাৰে, তেওঁলোকে তলত দিয়া নম্বৰত যোগাযোগ কৰিব পাৰিব ৯৩৯৫০৭৪৫০৮ / ৭৮৯৬২৭০৪৬০ ফুটবলৰ এই নৱজাগৰণে মিৰ্জাৰ বুকুত অনাগত দিনত বহুকেইগৰাকী ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ তাৰকা ফুটবলাৰ সৃষ্টি কৰিব বুলি ক্ৰীড়াপ্ৰেমীসকলে আশা প্ৰকাশ কৰিছে।

ENGLISH NEWS SECTION

# Scientific Goat Rearing Training Programme Held at Patharighat





Mangaldai,RB News: A 12 day Scientific Goat Rearing Off Campus Training Programme is being conducted at Krishak Swahid Bhawan, Patharighat, Darrang. The programme was inaugurated today by Jayanta Kumar Sarmah, President, Sipajhar Anchalik Panchayat, in the presence of ASRLM official Trilochan Nath, representatives of BMMU Sipajhar, and officials from RSETI Darrang. Addressing the gathering, Mr. Sarmah emphasized the importance of women empowerment through need based skill training for sustainable livelihood development. He expressed satisfaction over the joint initiative of RSETI and ASRLM in organizing the programme and stated that such collaborative efforts would contribute significantly towards realizing the vision of Viksit Bharat and Viksit Assam. Speaking on the occasion, Mr. Nath encouraged all trainees to participate actively in the programme and make effective use of the knowledge and skills imparted under entrepreneurship and animal rearing initiatives to enhance their livelihoods. The training programme is being conducted jointly by RSETI Darrang and BMMU, ASRLM, Sipajhar. A total of 35 candidates from the Sipajhar Development Block area are participating in the programme. RSETI officials expressed confidence that the training programme would be completed successfully and would help participants improve their income generating opportunities through scientific goat rearing practices.

## 'Friends' director James Burrows passes away




RB News: Legendary director James Burrows passed away at the age of 85 on Friday. His family confirmed the news in a statement to People, saying he "passed away peacefully today surrounded by his family." No further details regarding the cause of death or location were disclosed. Over a career spanning several decades, Burrows became one of the most influential figures in television comedy. He was associated with a number of iconic shows, including Cheers, Taxi, F.R.I.E.N.D.S, Will & Grace, Frasier, The Bob Newhart Show, and Mike & Molly. Burrows received widespread recognition for his work, winning 11 Emmy Awards during his career.

## Paraguay's Matías Galarza scores fastest goal of FIFA World Cup 2026




RB News: Paraguay's Matias Galarza scripted history by scoring the fastest goal of FIFA World Cup 2026 during the Group D match against Turkiye on Saturday. It took just 65 seconds for Paraguay to take the lead in the match as Galarza scored from a sensational long-range effort. Earlier in the day, Morocco's Ismael Saibari claimed the record when he scored after just 72 seconds during the match against Scotland. However, the record did not last long as Galarza capitalised on a fiery start by Paraguay and handed his team the lead in a must-win game for them.

## Haiti become 1st team to be eliminated from FIFA World Cup 2026



RB News: Haiti on Friday became the first team to be eliminated from the FIFA World Cup 2026 after its 0-3 defeat at the hands of Brazil in Philadelphia. Haiti lost 1-0 in their opening match against Scotland and after the defeat against Brazil, they are on 0 points from 2 matches. Brazil registered their first win of the tournament. Brazil forward Matheus Cunha rewarded manager Carlo Ancelotti's backing with his first two goals at a World Cup as the five-times champions cruised to a 3-0 victory over Haiti.

## USA become 2nd team to qualify for knockout stage




RB News: Co-hosts United States booked their place in the Round of 32 of the FIFA World Cup 2026 with a convincing 2-0 victory over Australia in their Group D clash on Friday (local time). With the win, the United States became the second team after Mexico to qualify for the knockout stage of the tournament. Following their 4-1 victory over Paraguay in Los Angeles, Mauricio Pochettino's side delivered another dominant performance in Seattle to extend their strong start and move within touching distance of the Round of 32.

## India beat Afghanistan by 170 runs in the 2nd ODI



RB News: India defeated Afghanistan by 170 runs in the 2nd ODI at Lucknow on June 17, taking a 2-0 lead in the 3-match series. India posted a massive 402 runs in 49.5 overs before being bowled out, powered by Shubman Gill's 154 and Ishan Kishan's 125. For Afghanistan, Nangeyalia Kharoti picked up four wickets, while Rashid Khan claimed three. In reply, Afghanistan were bundled out for 232 in 44.3 overs. For India, Arshdeep Singh and Gurnoor Brar each picked up three wickets, while Prince Yadav claimed two. Shubman Gill was adjudged the player of the match.

## India defeated Netherlands by 95 runs



RB News: India defeated Netherlands by 95 runs in their Women's T20 World Cup 2026 Group A match at Leeds on Wednesday. India register back-to-back victories in the Women's T20 World Cup 2026. Batting first, India posted a formidable 209 for 5 in their allotted 20 overs, powered by Smriti Mandhana's 74 and Shafali Verma's 55. In reply, the Netherlands were bowled out for 114 in 17.3 overs. For India, Shree Charani starred with a four-wicket haul, while Shafali Verma picked up three wickets and Nandani Sharma claimed two.

# জীৱন নদীৰ গাভৰু ঘাট

উপাসনা নাথ



জীৱন নদীৰ গাভৰু ঘাটত
সন্ধিয়া লাহে লাহে নামে
ঢৌৰ বুকুত সপোনবোৰে
নীৰৱ গান এটি থামে
কেতিয়াবা বতাহে দুখ আনে
কেতিয়াবা হাঁহিৰে পথ ভৰে
মানুহ তেনেই বৈ যায় চিৰদিন
সময়ৰ অবিৰাম ৰথত
গাভৰু ঘাটে শিকাই নীৰৱে
"হাৰি গ'লেও থম'কি নৰ'বা"
নদীৰ দৰে আগবাঢ়ি যাবা
আন্ধাৰতো পোহৰ বিচাৰিবা
জীৱন মানে মাথোঁ গন্তব্য নহয়
ই এক অন্তহীন যাত্ৰাৰ নাম
সুখ-দুখৰ মাজেৰে মানুহে যেন
লিখে নিজৰেই গাঁথা-কাম
গাভৰু ঘাটৰ নীৰৱ সন্ধিয়াই
শিকায় জীৱনৰ গভীৰ পাঠ
যি যায় সি উভতি নাহে
তথাপি যে আগুৱাই সময়ৰ ৰথ।

# ডিমেন্‌চিয়া, সামাজিক

প্ৰতিজন ব্যক্তিকে ডিমেন্‌চিয়াৰ যত্ন লোৱা প্ৰক্ৰিয়াটোত অংশীদাৰ হিচাপে গঢ়ি তোলা।

সামৰণিঃ

ডিমেন্‌চিয়া কেৱল স্মৃতিশক্তিলুপ্ত জনিত এক স্নায়বিক সমস্যাই নহয়; ই ব্যক্তিৰ মানসিক, সামাজিক, পাৰিবাৰিক আৰু আধ্যাত্মিক জীৱনৰ ওপৰতো গভীৰ প্ৰভাৱ পেলায়। বিশ্বজুৰি হোৱা গৱেষণাসমূহে স্পষ্টভাৱে প্ৰতিপন্ন কৰিছে যে সামাজিক সচেতনতা, পৰিয়ালৰ সহানুভূতিশীল ভূমিকা, যত্নগ্ৰহণকাৰীৰ মানসিক সমৰ্থন, সমাজভিত্তিক অংশগ্ৰহণ, পুনৰ্বাসনমূলক ব্যৱস্থা আৰু আধুনিক প্ৰযুক্তিবিদ্যায়ে ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰ জীৱনৰ মান উন্নত কৰাত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

বিশেষকৈ অসমৰ গ্ৰাম্য, নগৰ ও চাহ-বাগিচাৰ অঞ্চলসমূহত বৃদ্ধ ব্যক্তিসকলৰ মাজত ডিপ্ৰেচন (Depression), functional Disability আৰু স্বাস্থ্যজনিত অসুৰক্ষাৰ বেছিকৈ প্ৰাদুৰ্ভাৱ লক্ষ্য কৰা যায় যিয়ে ডিমেন্‌চিয়াৰ লক্ষণসমূহক গভীৰ কৰি তোলে। ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিক কেৱল ৰোগী হিচাপে নহয়, বৰঞ্চ মৰ্যাদাসম্পন্ন, অনুভূতিশীল আৰু যত্ন পোৱাৰ অধিকাৰী এজন মানৱ হিচাপে চোৱা উচিত। সহানুভূতি ধৈৰ্য্য, মৰম আৰু সামাজিক অন্তৰ্ভুক্তিৰ মাধ্যমেহে তেওঁলোকৰ জীৱনত আশা, সুৰক্ষা আৰু মানসিক শান্তি পুনৰ্স্থাপন কৰিব পাৰি।এই প্ৰসংগত এক প্ৰাসংগিক সংস্কৃত শ্লোক স্মৰণীয় "সৰ্বে ভৱন্তু সুখিনঃ। সৰ্বে সন্তু নিৰামযাঃ। সৰ্বে ভদ্ৰাণি পশ্যন্তু। মা কচ্ছিদ্দ দুঃখ ভাগৱতে"। (সকলো সুখী হওঁক, সকলো ৰোগমুক্ত হওঁক, সকলোয়ে মঙ্গল দেখক আৰু কোনো লোকেই দুখৰ অংশীদাৰ নহওক।) আহক, আমি সকলোৱেই ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিসকলক মৰ্যাদা, যত্ন, সহমৰ্মিতা আৰু সামাজিক সমৰ্থন আগবঢ়াওঁ।

# শিক্ষা বৃত্তি-অনুভৱৰ কৰনি



শিক্ষকতা কেৱল এটা পেছা নহয়, ই এক অন্তহীন যাত্ৰা। ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সৈতে জড়িত হৈ থাকোঁতে আমি কেৱল শ্ৰেণী কোঠাত পাঠদানেই নকৰোঁ, বহু সময়ত ছাত্ৰ ছাত্ৰী সকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যেৰে শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ ছাত্ৰী সকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ লগতো এক সম্পৰ্ক স্থাপন কৰিব লগা হয়। কোনো কোনো ক্ষেত্ৰত ছাত্ৰ বা ছাত্ৰী এগৰাকীৰ সৰ্বাঙ্গীন উন্নয়নৰ খাতিৰত পৰিয়ালৰ বহু ভিতৰলৈও সোমাই যাব লগা হয় শিক্ষক শিক্ষয়িত্ৰী সকল। হাঁহি কান্দোনৰ মিশ্ৰিত অভিজ্ঞতাই

**মীনাশ্ৰী গোস্বামী**

প্ৰৌঢ় কৰা শিক্ষা বৃত্তিত নিয়োজিত সকলো লোককে শিকাই যায় জীৱনৰ প্ৰমূল্যবোধ। জীৱনৰ এনে কিছু অভিজ্ঞতা ই মোকো চুই গৈছিল আৰু আজিও স্মৃতিৰ পৃষ্ঠাত অম্লান হৈ আছে।

চাকৰি জীৱনৰ প্ৰাৰম্ভিক সময়ছোৱাত মই কেন্দ্ৰীয় বিদ্যালয় এখনত কিছু দিনৰ কাৰণে ঠিকাভিত্তিক শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত আছিলোঁ। নতুন শিক্ষয়িত্ৰী হিচাপে পাঠদান, পাঠ পৰিকল্পনা আৰু বিদ্যালয়ৰ নিত্য কৰ্মত সদায় ব্যস্ত থাকিব লগা হৈছিল। কিন্তু তাৰ মাজতো মোৰ দৃষ্টি বিশেষভাৱে আকৰ্ষণ কৰিছিল ষষ্ঠ শ্ৰেণীৰ এজন ছাত্ৰই। শান্ত শিষ্ট মৰম লগা ল'ৰাজন ক্লাছত সদায় শেষৰ বেঞ্চত বহি নীৰৱে নিজৰ কাম কৰি থাকিছিল। কাৰো লগত ক্লাছত মিলা মিছা নকৰিছিল। মাজে মাজে খিড়িকীৰে বাহিৰলৈ এক উদাস দৃষ্টিৰে চাই থাকিছিল। কিন্তু মই এটা কথা লক্ষ্য কৰিছিলোঁ-প্ৰতিদিনে পুৱা ১১:৩০ মান বজাত এজন মধ্যবয়সীয়া লোক আহি তাক বিদ্যালয়ৰ পৰা কৰবালৈ লৈ যায়। ফলত বিৰতিৰ পিছৰ সকলো পাঠদানৰ পৰা সি বঞ্চিত হয়।

প্ৰথমে বিষয়টো মই বিশেষ গুৰুত্ব দিয়া নাছিলোঁ। হয়তো ঘৰুৱা কোনো সমস্যা বা স্বাস্থ্যজনিত কাৰণ থাকিব পাৰে বুলি ভাবিছিলোঁ। কিন্তু দিনৰ পিছত দিন একেই ঘটনা চলি থাকিল। ক্ৰমে লক্ষ্য কৰিলোঁ, ল'ৰাটোৰ চকুত এক অদ্ভুত বিষাদ। লগৰীয়াৰ লগত খেলিবলৈও সি আগ্ৰহ নেদেখুৱায়। এদিন সুযোগ আৰু সুবিধা চাই মই বিদ্যালয়ৰ অধ্যক্ষৰ ওচৰলৈ গ'লোঁ আৰু ল'ৰাটোৰ বিষয়ে জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলোঁ। অধ্যক্ষই কিছু সময় নীৰৱে বহি থাকি ধীৰ কণ্ঠে ক'লে- "আপুনি যিজন ল'ৰাৰ কথা কৈছে, তেওঁ এটা ভয়ংকৰ ঘটনাৰ মাজেৰে পাৰ হৈ আহিছে।"

তাৰ পিছত তেওঁ যি কাহিনী ক'লে, সেয়া শুনি মোৰ শৰীৰ শীতল হৈ গ'ল।

কৰ্ম ক্ষেত্ৰৰ তাগিদাত দেশৰ বেলেগ এখন ৰাজ্যৰ পৰা আহি চৰকাৰী আৱাসত আছিল সেই ছাত্ৰ জন মাক আৰু দেউতাকৰ লগত। গ্ৰীষ্মকালীন বন্ধৰ কোনো এটা দিনেসেই সৰু পৰিয়ালটোলৈ অমানিশা কঢ়িয়াই আনিছিল। এক মুহূৰ্ততে সলনি হৈ গৈছিল জীৱনৰ ৰং। কোনো পাৰিবাৰিক বিবাদৰ ফলত নিচাসক্ত পিতৃয়ে নিজৰ পত্নীক, অৰ্থাৎ ল'ৰাটোৰ মাকক, তাৰ সন্মুখতেই অগ্নি সংযোগ কৰি হত্যা কৰিছিল। সেই ভয়ংকৰ দৃশ্যৰ একমাত্ৰ প্ৰত্যক্ষ সাক্ষী আছিল সেই কণমানি শিশুটি। পৃথিবীলৈ অহা মাত্ৰ কেইটামান বছৰহে হৈছিল তাৰ কিন্তু এই খিনি সময়তে সি যি প্ৰত্যক্ষ কৰিলে সেয়া অসহনীয়।

পৰৱৰ্তী সময়ত ঘটনাৰ তদন্ত চলি থাকিল। আৰক্ষী, আদালত আৰু বিভিন্ন অনুসন্ধানকাৰী সংস্থাই বাৰে বাৰে ল'ৰাটোৰ সাক্ষ্য ল'ব লগা হৈছিল । সেই কাৰণেই প্ৰতিদিনে আত্মীয় এজনে বিদ্যালয়ৰ পৰা তাক লৈ গৈছিল। সি বিদ্যালয়ত উপস্থিত থাকিলেও তাৰ মন কেতিয়াবাই আন কোনো অন্ধকাৰ জগতত হেৰাই গৈছিল। সেইদিনা অধ্যক্ষৰ কোঠাৰ পৰা ওলাই আহোঁতে মোৰ মনত গভীৰ অনুতাপ জন্মিল। মই ভাবিলোঁ-কিমান সহজে আমি ছাত্ৰ-ছাত্ৰীৰ আচৰণক "অলসতা", "অমনোযোগী" বা "অনুশাসনৰ অভাৱ" বুলি আখ্যা দিওঁ। অথচ তেওঁলোকৰ অন্তৰৰ ভিতৰত কি ধুমুহা চলি আছে, সেয়া হয়তো আমি কল্পনাও কৰিব নোৱাৰোঁ। কিছুদিন পিছত ল'ৰাটোক আত্মীয়-স্বজনে নিজৰ ৰাজ্যলৈ লৈ গ'ল। তাৰ পিছত আৰু কেতিয়াও তাৰ খবৰ পোৱা নহ'ল।

আজি প্ৰায় পঁয়ত্ৰিশ বছৰৰ পিছতো সেই নিষ্পাপ মুখখন মোৰ মনত সজীৱ হৈ আছে। নাজানো সি এতিয়া ক'ত আছে, কেনেকৈ আছে। কিন্তু প্ৰতিবাৰেই তাৰ কথা মনলৈ আহিলে মই ঈশ্বৰৰ ওচৰত এটা প্ৰাৰ্থনা কৰোঁ- যেন জীৱনে তাক সেই সুখ, মৰম আৰু শান্তি দিয়ে, যিবোৰ শৈশৱত তাৰ পৰা নিৰ্দয়ভাৱে কাঢ়ি লোৱা হৈছিল। সেই অভিজ্ঞতাই মোক শিকাইছিল-শিক্ষক হোৱাৰ আগতে এজন সংবেদনশীল মানুহ হোৱাটো অধিক প্ৰয়োজনীয়।

# কলাগুৰু - যুগৰ সিপাৰে

১৯৬৯ চনৰ ২০ জুনত তেওঁৰ দেহাৱসান ঘটিল। কিন্তু মৃত্যুৱে কলাগুৰুক চুব পাৰিলেনে? তেওঁ থৈ গ'ল এটা অসম্পূৰ্ণ সপোন - শোষণহীন, বৈষম্যহীন, মানুহে মানুহক ভালপোৱা এখন অসমৰ সপোন। আজিও ৰাতিৰ নিজানত তেওঁৰ গান বাজিলে বুকুৰ ভিতৰত কিবা এটা কঁপি উঠে। তেওঁৰ ছবি এখন চকুৰ আগত ভাঁহি উঠিলেই দেখা পাওঁ - দীঘল চুলিৰে, কান্ধত ঢোল লৈ, মুখত এটি নিৰ্ভীক হাঁহিৰে খোজকাঢ়ি অহা এজন মানুহ, যাৰ চকুত জ্বলি থাকে বিপ্লৱৰ জুই।

বিষ্ণুপ্ৰসাদ ৰাভা কেৱল ইতিহাসৰ পাতত সোমাই থকা এটা নাম নহয়। তেওঁ আমাৰ তেজত বোৱা চেতনা, আমাৰ উশাহত মিহলি হোৱা প্ৰতিবাদ। যেতিয়ালৈকে অসমত শিল্প জীয়াই থাকিব, যেতিয়ালৈকে অন্যায়ৰ বিৰুদ্ধে এটা কণ্ঠও গৰজি উঠিব, যেতিয়ালৈকে মানুহে মানুহক সাৱটি ধৰিব - তেতিয়ালৈকে কলাগুৰু জীয়াই থাকিব। কাৰণ কিছুমান জুই নুমাই নাযায়। সেইবোৰ যুগৰ সিপাৰে জ্বলি থাকে - আমাক বাট দেখুৱাবলৈ, আমাক মানুহ কৰি ৰাখিবলৈ।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৱা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# অম্বুবাচী /আমতি আৰু দেৱী মা কামাখ্যা ধামৰ নিবিড় সম্পৰ্ক আছে



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

আমাৰ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ । বৈদিক যুগৰ পৰা কিছুমান নীতি নিয়মৰ মাজেৰে হিন্দু সকলে নিজৰ জীৱন ধাৰণ কৰে। পৃথিৱীক মাতৃ হিচাপে তুলনা কৰা হয়।অসমৰ লোকসকলে আমতি এক পৰম্পৰা ধৰ্মীয় অনুষ্ঠান পৌৰাণিক যুগৰ পৰাই পালন কৰি আহিছে।

অসমীয়া বাৰটা মাহৰ ভিতৰত অন্যতম আহাৰ মাহত অম্বুবাচী মানে আমতি পালন কৰা হয়।আমতি যাঁঠ লগা বা প্ৰবৃত্তি আৰু নিবৃত্তি যাঁঠ ভঙা । কামৰূপ জিলাৰ বাসিন্দা হিচাপে "মা কামাখ্যা ধাম" নিলগত নহয় কাৰণে ৰীতি- নীতিৰ সৈতে আমি পৰিচিত। মা কামাখ্যা ধাম আমাৰ গাঁওৰ পৰা মাত্ৰ ৩০ কি:মি: দূৰত্ব। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উপৰিও দেশ-বিদেশৰ পৰাও অনেক ভক্ত মা কামাখ্যা ধামলৈ আহে। বিশেষকৈ অম্বুবাচীৰ সময়ত ঋষি-মুনী আদি কৰি অনেক ভক্ত নীলাচল পাহাৰ ভৰি পৰে। এয়া যে দেৱী মাঁ আৰু ভক্ত সকলৰ নিবিড় সম্পৰ্ক।

দেৱী মাঁ কামাখ্যা ৰাজস্বলা হোৱা আমতিৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। বছৰত এবাৰ এই সময়ত দেৱী মা অসুচী হয়। মা কামাখ্যা ধাম ভোলানাথ শিৱৰ অৰ্ধাঙ্গিনী দেৱী সতীৰ এটা অংশ নীলাচল পৰ্বতত পৰি সৃষ্টি হৈছিল বুলি কোৱা শুনিছোঁ । তেওঁ কেনেকৈ দেহ ত্যাগ কৰিছিল ইয়াত এটা কাহিনী জড়িত আছে, সেইটো আলোচনা পিচত এদিন কৰিম ।

আমতিৰ যাঁঠ অৰ্থাৎ প্ৰবৃত্তি হয় সেইদিনাৰ পৰাই কামাখ্যাৰ দুৱাৰ বন্ধ কৰি দিয়ে। প্ৰবৃত্তি কেইদিন কৃষি কৰ্ম যেনে -গছৰ ফলমূল বা তামোল পাণ আদি কোনো পাৰিব নিদিয়ে। চুৰা থাকে বুলি কয়। আমতিৰ যাঁঠ ভাঙে নিবৃত্তি হয়। কামাখ্যা দুৱাৰ খোলা খায়। সেই দিনাৰ পৰা সকলো মাঙ্গলিক অনুষ্ঠান কৰিব পাৰি। কিন্তু বৰ্তমান নিয়ম বোৰ সলনি হৈছে তথাপিও কিছুমান নিয়ম এতিয়াও আছে। যাঁঠ লগা কেইদিন নামঘৰ/দেৱালয় আদিত চাকি দিয়া নহয়।

# ৰেডিঅ'ঃ স্মৃতিৰ বুকুত বাজি থকা এক অমৰ সুৰ



**শিল্পা প্ৰিয়ম কুণ্ডিণ্য**

সময়ৰ সোঁতত বহু বস্তু আহিল, বহু বস্তু হেৰাই গ'ল। কিন্তু কিছুমান বস্তু আছে, যিবোৰ বস্তু হৈয়ো কেৱল বস্তু হৈ নাথাকে, সিহঁতে মানুহৰ অনুভৱ, স্মৃতি আৰু জীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰে। ৰেডিঅ' তেনে এক আশ্চৰ্য সৃষ্টি, যাৰ নাম উচ্চাৰণ কৰিলেই মনৰ আকাশত অতীতৰ অসংখ্য স্মৃতিৰ চৰাই উৰি ফুৰে।

এসময়ত ৰেডিঅ' আছিল প্ৰতিটো ঘৰৰে হৃদস্পন্দন। আজিৰ দৰে স্মাৰ্টফোন, টেলিভিছন বা ইণ্টাৰনেটৰ সহজলভ্যতা নাছিল। সেই সময়ত পৃথিৱীৰ খবৰ জানিবলৈ, সংগীত শুনিবলৈ, নাটক উপভোগ কৰিবলৈ অথবা দূৰ-দূৰণিৰ কণ্ঠস্বৰ অনুভৱ কৰিবলৈ মানুহে আশ্ৰয় লৈছিল ৰেডিঅ'ৰ। সন্ধিয়া নামি আহিলে চোতালত বা বাৰাণ্ডাত গোট খাই বহা পৰিয়ালৰ সদস্যসকলৰ মাজত ৰেডিঅ'টোৱে যেন এক নীৰৱ কেন্দ্ৰবিন্দুৰ ৰূপ লৈছিল। বাতৰিৰ গম্ভীৰ কণ্ঠ, আকাশবাণীৰ মধুৰ অনুষ্ঠান অথবা পুৰণি গীতৰ সুৰে পৰিৱেশক এক অপূৰ্ব মাধুৰ্যৰে ভৰাই তুলিছিল।

ৰেডিঅ'ৰ এক বিশেষ বৈশিষ্ট্য আছিল-ই মানুহৰ কল্পনাশক্তিক জাগ্ৰত কৰিছিল। টেলিভিছনৰ দৰে দৃশ্য নাছিল, আছিল কেৱল শব্দ। কিন্তু সেই শব্দৰ মাজতেই শ্ৰোতাই নিজাকৈ গঢ়ি লৈছিল এখন সৰু পৃথিৱী। নাটকৰ চৰিত্ৰবোৰ মনৰ মাজত জীৱন্ত হৈ উঠিছিল, কবিতাৰ শব্দবোৰে কল্পনাৰ ডেউকা মেলিছিল, আৰু গীতৰ সুৰে হৃদয়ৰ গোপন কোণবোৰ স্পৰ্শ কৰিছিল। এই কাৰণেই ৰেডিঅ'ৰ সৈতে মানুহৰ সম্পৰ্ক কেৱল তথ্য গ্ৰহণৰ নাছিল, ই আছিল হৃদয় আৰু অনুভৱৰ এক গভীৰ সংযোগ।

গাঁৱৰ পথাৰত কাম কৰা কৃষকৰ পৰা আৰম্ভ কৰি চহৰৰ ব্যস্ত কৰ্মচাৰীলৈকে, সকলোৰে জীৱনত ৰেডিঅ'ৰ এক বিশেষ স্থান আছিল। বিশেষকৈ অসমৰ সাংস্কৃতিক জীৱনত ৰেডিঅ'ই এক যুগান্তকাৰী ভূমিকা পালন কৰিছিল। বহু শিল্পী, সাহিত্যিক আৰু সংগীতজ্ঞৰ কণ্ঠ প্ৰথমবাৰৰ বাবে জনসাধাৰণৰ কাষ চাপিছিল এই মাধ্যমৰ যোগেদি। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিকাশত যি অৱদান আগবঢ়াইছে, সেয়া চিৰস্মৰণীয়।

আজি প্ৰযুক্তিয়ে অভাৱনীয় অগ্ৰগতি সাধন কৰিছে। পৃথিৱী এটি মুঠিৰ ভিতৰত সোমাই আহিছে। তথাপিও যেতিয়া কোনোবা পুৰণি ৰেডিঅ'ৰ কঁপা-কঁপা শব্দ কাণত পৰে, তেতিয়া হৃদয়ত এক বৰ্ণনাতীত অনুভূতি জাগি উঠে। মনত আহে যে, সময়ৰ ঘড়ী উভতি গৈছে সেই সৰল, শান্ত আৰু আন্তৰিক দিনবোৰলৈ। যি দিনত সুখৰ বাবে অতি বেছি একো নালাগিছিল, এটা মিঠা গীত, এখন সুন্দৰ নাটক বা এটা প্ৰিয় কণ্ঠই যথেষ্ট আছিল।

সঁচাকৈয়ে, ৰেডিঅ' কেৱল এটা যন্ত্ৰ নহয়, ই এক যুগৰ স্মৃতি, এক প্ৰজন্মৰ অনুভৱ আৰু অগণন হৃদয়ৰ আবেগৰ প্ৰতীক। সময়ৰ ধূলিৰে ঢাকি গ'লেও ৰেডিঅ'ৰ সুৰ কেতিয়াও ম্লান নহয়। সেয়া আজিও আমাৰ স্মৃতিৰ নিভৃত কোণত অনন্তকাল ধৰি বাজি থাকে-এটি নষ্টালজিক, মধুৰ আৰু চিৰসেউজ সুৰ হৈ।

# জ্যোতি-বিষ্ণুৰ কথাৰে





**ধৰণী চেতিয়া, ধেমাজি**

কোন জ্যোতিয়ে, কোন বিষ্ণুৱে গাইছিল মিলনৰ বৰগীত
কোন জ্যোতি-বিষ্ণুৱে ৰচিছিল
সমন্বয়ৰ ন ন সোপান
কোন জ্যোতি-বিষ্ণুৱে গাইছিল
কৃষক বনুৱাৰ জীৱন জিয়াৰ গান
কু-সংস্কাৰ, অন্ধবিশ্বাসত পচি উৱলিব ধৰা সমাজৰ
মলিন পোছাক খুলি ন-সাজ পিন্ধালে কোনে
ক চোন ককাই ক, বুকু ডাঠ কৰি ক
(সেইয়াই আমাৰ আই অসমীৰ নয়নৰ মণি জ্যোতি আৰু বিষ্ণু)
আই অসমীৰ চৰণ ধূলিৰ চামনি গুচায়
ৰাখিলে যত কীৰিতি
কত শত শোষিত, দলিত, নিষ্পেষিত, নিৰ্যাতিত
পৰ পদানত সেৰি চৰণাতিতৰ ওৰণি গুচায়
কোনে ৰাখিলে মান
ক হেৰ' ককাই ক, বুকু ডাঠ কৰি ক
অ' মোৰ দেশৰ আৱাল-বৃদ্ধ-বনিতা
অ' মোৰ গাঁৱৰ নদাই-ভদাই চা চকু মেলি চা
(সেইয়াই আমাৰ আই অসমীৰ নয়নৰ মণি জ্যোতি আৰু বিষ্ণু)
কোন সপোনহাৰা, দিঠকহাৰা, দিন দুখীয়াৰ, হতভাগিনীৰ
কঠোৰ বেথাৰ তীখাৰ শাণ!
কাৰ বিজুলীৰ চমকত লৰিল গা
কাৰ নয়নত গজিল হেৰ' ন- প্ৰভাতৰ নেজাল বন্তি গচি
জাতি, ধৰ্ম, ভাষাৰ নামত বিভাজন আনি
শোষণৰ বৰগীত গাবলৈ
কোন কাল শতৰুৱে আজি মৰসাহ কৰে
চিনা নাই, নিচিনিলে কোনোদিনে-কোনোকালে
কোন কাল বিভিষণে...
জ্যোতি-বিষ্ণুৰ আদৰ্শ সমাজ!
"নিজৰ আইক আই বুলিলে
পৰৰ আই জানো শতৰু হয়"
এইবোৰ কথা জানি বুজি
তেনে কিয় বাৰে বাৰে কৰ' পদাঘাত
অ' মোৰ দেশৰ নতুন পুৰুষ!
যি জ্যোতি-বিষ্ণুৰ চুমাৰ পৰসে পোহৰাই নতুন সমাজ
সেই জ্যোতি আজি নাই, সেই বিষ্ণু আজি নাই
আহিছিল, গুচি গ'ল নিজ বাটেৰে
নতুন সমাজ গঢ়ি, কাললৈ কীৰিতি ৰাখি
সৰ্বহাৰা, দিশহাৰা, দিন দুখীয়াক দি গ'ল
অযুত স্বপ্নভৰা নৱ অৰ্জ্জুনৰ নীল মুক্তাকাশ।